চান্দমামা

এপ্রিল ১৯৮৭

"অলপ সময় লৈ ভাবি-চিন্তি আজি তাৰে তোমাৰ খেলাঘৰ লোৱা ভাই সাজি!"

-ফেভিফেইৰী

এষ্টাৰ্চ ফুল থাপে থাপে কেনেকৈ সাজিব, সেই বিষয়ে বিনামূলীয়া তথ্যৰ কাৰণে কুপনখন পঠিয়াওক বা যোগাযোগ কৰক এই ঠিকনাত: "ফেভি ফেইৰী", পোষ্ট বক্স ১১০৮৬, বোম্বাই ৪০০ ০২৩।

লৰা-লৰিকৈ কিবা গঢ়িবলৈ
ইটো-সিটোৰে সময় কটাবলৈ
অতিকৈ মজাদাৰ
ফেভিকল এম-আৰ
আমোদেই মাথো মহয়
হাত বহি গৈ শেষত হবগৈ
এজনা ডাঙৰ যন্ত্ৰবিদ।
এয়া মাথো মনোহাৰী খেলনাৰ
বিধে বিধে নমুনা
ঘৰ, দুৱাৰ, ঘোঁৰা, হাতী,
বাঘ আৰু কত'যে কি।
ঘৰ, আলমাৰী, চকী-মেজ
স'তেই লগোৱা
জোৰা হয় বৰ কঠিন
টিকেও বহু বেছি দিন।
নিখুঁত হৈ ৰব' চিৰকাল
চিৰ সঙ্গী তোমাৰ
ফেভিকল এম-আৰ।

OBM 9403 AS

এষ্টাৰ্চ ফুল থাপে থাপে কেনেকৈ সাজিব, সেই বিষয়ে বিনামূলীয়া তথ্যৰ কাৰণে কুপনখন পঠিয়াওক বা যোগাযোগ কৰক এই ঠিকনাত: "ফেভি ফেইৰী", পোষ্ট বক্স ১১০৮৬, বোম্বাই ৪০০ ০২৩।

নাম: ______
বয়স: ______
ঠিকনা: ______
______
চহৰ: ______
ৰাজ্য: ______ পিন: ______

ফেভিকল ® এম-আৰ
চিন্থেটিক এধেচিভ

উত্তম বস্তু গঢ়িবলৈ হলে উত্তম বস্তুৰেই জোৰা দিব লাগে!

® হৈছে আৰু ফেভিকল বাণ্ড হ'ল পিডিলাইট ইণ্ডাষ্ট্ৰীজ প্ৰাঃ লিঃ, বোম্বাই ৪০০ ০২১-ৰ ৰেজিষ্টাৰ্ড ট্ৰেডমাৰ্ক।

চুপাৰফাইটাৰ!
FOAMING
Forhan's
FLUORIDE
The toothpaste that tightens gums, fights cavities
তেওঁৰ বন্ধুগণে তেওঁক কয় "লিটিল মাষ্টাৰ"
সমগ্ৰ জগতে ক্ৰিকেটৰ পৰম্পৰাত তেওঁক জানে
চুপাৰব্যাটচমেন হিচাবে। কিন্তু সুনিল
গাভাচকাৰে নিজে কয় "মই এজন
চুপাৰফাইটাৰ. মই বিচাৰো মোৰ নবাটোও
যাতে তেনে হয়। সেয়েহে মই সৰুৰ পৰাই
শিকাইছো ফৰহান্স ফ্লোৰাইড টুথপেষ্টৰে
দাঁত মাজিবলৈ–দাঁতৰ ক্ষয় ৰোধৰ বাবে
সচাকৈয়ে চুপাৰফাইটাৰ।"
দাঁতৰ ফাকত ৰৈ যোৱা খাদ্যকনাই
ৰোগ-জীৱাণু জন্মাই আৰু তাত নিগৰিত
এচিডে দাঁত ক্ষয় কৰে। ফৰহান্স
চুপাৰফাইটাৰত আছে সক্ৰিয় ফ্লোৰাইড যি
দাঁতৰ আৰু মজবুটভাৱে সুৰক্ষিত কৰে।
সেয়েহে ৰোগ বিজাণু জন্ম নহয় আৰু
দাতবো ক্ষয়ৰোগ নহয়। ফৰহান্সৰ বিশেষ
এচট্ৰিনজেণ্টয়ে আৰু মজবুত কৰি ৰাখে।
সেয়েহে দাঁতক দিয়ে মজবুত গাঠনি আৰু
দীৰ্ঘায়ু কৰি ৰাখে।
সুনিলৰ ভাষাত "মই মোৰ ন'ৰাটোক
দিছো ফৰহান্স কেয়াৰ।
আপুনি তাৰ বাবে কি কৰিছে?"
ফৰহান্স

GM-113/86 Ass

Gautam Goswami 11.4.87

চান্দমামা

এপ্ৰিল ১৯৮৭

এই সংখ্যাত আছে

অমৰ-বাণী	৭
চান্দমামাৰ সম্বাদ-বি-সম্বাদ	৯
ময়ুৰধ্বজ	১০
সুখৰ মুখ	১১
ৰজাৰ ভুল	১৭
জ্বালাদ্বীপ	১৯
বাৰ বৈৰীৰ কামোৰ	২৭
আমাৰ দেশৰ বিচিত্ৰ কথা	৩৫
অনন্যা	৩৯
উত্তৰ-ৰামায়ণ	৪৩
মাৰদের	৫১
কথাৰ চেও	৫৭
প্ৰেমৰ কাৰণে	৬২
প্ৰাকৃতিক বিস্ময়	৬৩

খনে: ২.৫০ পইচা মাথোন * বছৰেকীয়া বৰঙনি: ৩০.০০ টকা মাথোন

No share prices,
no political fortunes, yet...

Over 40% of Heritage readers are professionals or executives, 61% from households with a professional / executive as the chief wage earner. Half hold a postgraduate degree or a professional diploma.

– from an IMRB survey conducted in Oct. 1986

It's an unusual magazine. It has a vision for today and tomorrow.

It features ancient cities and contemporary fiction, culture and scientific developments, instead of filmstar interviews and political gossip. And it has found a growing readership, an IMRB survey reveals. Professionals, executives and their families are reading The Heritage in depth – 40% from cover to cover, 42% more than half the magazine.

More than 80% of The Heritage readers are reading an issue more than once.

And over 90% are slowly building their own Heritage collection.

Isn't it time you discovered why?

CMP-2135

THE HERITAGE

So much in store, month after month.

CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 12 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

চান্দমামা

সংস্থাপক * * * সঞ্চালক

চক্রপাণি * বি নাগিৰেড্ডি

‘চান্দমামা’ এই সংখ্যাৰপৰা বাৰ বছৰীয়া হ’ল।
‘চান্দমামা’ বাৰ বছৰীয়া হোৱাৰ কৃতিত্ব—আপোনালোকৰ।
‘চান্দমামা’ক আপোনালোকেই তুলি-তালি ডাঙৰদীঘল কৰিলে।
‘চান্দমামা’ৰ ভুল-ত্ৰুটিলৈ ক্ষমাসুন্দৰ দৃষ্টিৰে চালে, আৰু
‘চান্দমামা’ক অপাৰ মৰমেৰে কৰি তুলিলে মতিমান—
‘চান্দমামা’ই জনাইছে সদৌটিলৈ মৰম। আৰু প্ৰণাম॥

অমৰ-বাণী

আশায়া য়ে দাসস্তে দাসা ঃ সৰ্বলোকস্য॥
আশা য়েষাং দাসী তেষাং দাসায়তে লোকঃ॥
[আশাৰ দাসত্বৰে সৈতে সাঙোৰ খাই পৰাসকল জগতৰ দাসলৈ পৰিণত হয়। একমাত্ৰ আশাক দমন কৰিব পৰা-সকলেহে জগতক নেতৃত্ব দিব তথা বাট দেখুৱাব পাৰে।]

বছৰঃ ১২ মাৰ্চ ১৯৮৭ **সংখ্যাঃ ১**

খনেঃ ২·৫০ টকাঃ ঃ বছৰেকীয়া বৰঙণিঃ ৩০·০০ টকা

"ইমানদিনে মিলিজুলি ৰসনা খালো
কিয়ে কৰো, পাৰ্টী এতিয়া নোপোৱা হলো!"
ৰসনা
কিয়ে কমলা-কমলা গোন্ধ!
Rasna
Orange
Rasna
soft drink
concentrate
Orange
ভাৰতৰ সৰ্বাধিক বিক্ৰী হোৱা
চফ্‌ট ড্ৰিংক কন্‌চেনট্ৰেট
প্ৰস্তুতকাৰক ঃ পায়োমা ইণ্ডাষ্ট্ৰীজ, অছৰৱা, আহমেদাবাদ ৩৮০ ০১৬।

চান্দমামাৰ সম্বাদ-বি-সম্বাদ

ইয়েতি

জনশ্ৰুতি মতে, 'ইয়েতি' হ'ল বৰফৰ মাজতে বসবাসকাৰী দেশত মানুহৰ দৰে এবিধ প্ৰাণী। ইয়েতিৰ দেহ হেনো নোমাল আৰু বিশাল। প্ৰাচীনকালৰপৰা সকলোটিয়েই 'ইয়েতি'ৰ কাহিনী শুনিছিলহে, কোনেও দেখা নাছিল। কিন্তু সম্প্ৰতে ইতালিদেশৰ পৰ্বতাৰোহী ৰিন হ'ল্ডাৰ মেস্নাৰে টিবেল্ পৰ্বতত ইয়েতিক দেখা পোৱা বুলি কৈছে আৰু এই বিষয়ে তথ্যানুসন্ধানত নিযুক্ত হৈছে।

পম্পেই

ইতালিদেশৰ ভিছুভিয়াছ পৰ্বত তথা আগ্নেয়গিৰিয়ে ৭৯ খ্ৰিষ্টাব্দত অগ্নি উদগীৰণ কৰিছিল। তাৰ ফলত পম্পেই নামৰ নগৰখন মাটিৰ তলত পোত খাই গৈছিল। সাম্প্ৰতিক আৱিষ্কাৰৰ ফলত জনা গৈছে যে, এই পম্পেই নগৰখন আছিল বিপুল ঐশ্বৰ্য্যমণ্ডিত। এই নগৰ খান্দি মূল্যবান মণি-মুকুতাৰ অলংকাৰ আদি পোৱা হৈছে।

প্ৰথমা

পৃথিৱীৰ প্ৰথম মহিলা চিকিৎসকগৰাকী আছিল ভাৰতীয়। পি. টি. আই পৰিবেশিত এই সম্বাদত কোৱা হৈছে যে লণ্ডনৰ মেডিকেল কলেজত চিকিৎসাবিদ্যা অধ্যয়ন কৰা এইগৰাকী প্ৰথমা চিকিৎসক মহিলাৰ নাম আছিল মিছ স্বালি ফেকি। তেওঁ মাদ্ৰাজৰ হস্পিটালত চাৰি বছৰকাল যুক্ত আছিল বুলি ইণ্ডিয়ান মেডিকেল এছ'ছিয়েশ্যনৰ ডাক্টৰ বি. পৰমেশ্বৰনে জনাইছে।

পুৰাণ-গাথা

ময়ূৰধ্বজ

মণিপুৰৰ ৰজা ময়ূৰধ্বজে অশ্বমেধ যজ্ঞ পাতি অশ্বমেধৰ অশ্ব এৰি দিলে। যজ্ঞৰ এই অশ্বটিৰ সৈতে ময়ূৰধ্বজৰ পুৰ তাম্ৰধ্বজ গৈ থাকিল। তাম্ৰধ্বজৰ লগত কিছুমান সৈন্যও আছিল। একেটা সময়তে ধৰ্মৰাজেও অশ্বমেধ যজ্ঞ পাতি অশ্বমেধৰ অশ্ব এৰিলে। ধৰ্মৰাজৰ অশ্বৰ সৈতে কৃষ্ণাৰ্জুনগণ গৈ থাকিল। তাম্ৰধ্বজে ধৰ্মৰাজৰ অশ্বমেধৰ অশ্বটোক বন্দী কৰিলে।

যেনেকৈয়েই নহওক যজ্ঞৰ অশ্বক ধৰিবলৈ কৃষ্ণাৰ্জুনগণ ব্ৰাহ্মণৰ ছদ্মবেশ ধাৰণ কৰি ময়ূৰধ্বজৰ কাষ চাপিল। ময়ূৰধ্বজে আনন্দ মনেৰে অতিথি সৎকাৰ কৰিলে। তাৰ পাছত এই ব্ৰাহ্মণগণৰ আগমনৰ হেতু সম্বন্ধে প্ৰশ্ন কৰাত ব্ৰাহ্মণবেশী কৃষ্ণই ক'লে, "হে মহাৰাজ! অৰণ্যৰ মাজেদি গৈ থাকোঁতে হঠাৎ সিংহ এটা ওলাই মোৰ শিশুসন্তানক ধৰি লৈ গ'ল। সন্তানটিক এৰি দিয়াৰ বাবে সিংহক কাবৌ-কাকুতি কৰাত সিংহটোৱে ক'লে, "ৰজা ময়ূৰধ্বজৰ দেহৰ অৰ্দ্ধাংশ আনি দিব পাৰা যদি, মই তোমাৰ শিশু সন্তানটিক এৰি দিম।' সিংহৰ কথা শুনিহে মই আপোনাৰ কাষ চাপিছোঁ।"

ব্ৰাহ্মণৰ কথা শুনি ময়ূৰধ্বজৰ পত্নীয়ে ক'লে, "স্বামী-স্ত্ৰী হ'ল পৰস্পৰৰ অৰ্দ্ধাংশ। মোৰ দেহৰ অৰ্দ্ধাংশ আপুনি লওক।"

"তোমাৰ কথা সত্য। কিন্তু স্ত্ৰী হ'ল স্বামীৰ বাঁওফালৰ অংশ ; আৰু সিংহক লাগে ৰজাৰ সোঁফালৰ অৰ্দ্ধাংশ।" ব্ৰাহ্মণৰূপী কৃষ্ণই ক'লে।

এই কথা শুনি ৰজা ময়ুধ্বজে ক'লে, "হে ব্ৰাহ্মনোত্তম, আপোনাৰ ইচ্ছা অনুসাৰে মোৰ সোঁফালৰ অংশ কাটি লৈ যাওক আৰু শিশুটিক উদ্ধাৰ কৰক।" ঠিক তেতিয়াই ময়ুৰধ্বজৰ বাঁও চকুৰপৰা কেইটোপালমান চকুলো সৰি পৰিল।

এই ঘটনালৈ লক্ষ্য কৰি কৃষ্ণই ক'লে, "অশ্ৰুলোৰে তিয়াই দান কৰিলে তাৰে কাৰ্য্য সিদ্ধি নহ'ব।" তদুত্তৰে ময়ূৰধ্বজ ৰজাই ক'লে, "হে ব্ৰাহ্মণোত্তম! সোঁফালৰ কাৰণে বাঁওফালে কান্দিলেও মোৰ দুখ-শোক নহ'ব। আপুনি অলপো দ্বিধা নকৰি মোৰ দেহৰ সোঁফালৰ অংশ কাটি লৈ যাওক।"

তেতিয়া ব্ৰাহ্মণ ৰূপধাৰী কৃষ্ণই পলকতে নিজমূৰ্তি ধাৰণ কৰি ৰজা ময়ুৰধ্বজক বুকুত সাঁকোৱালি লৈ আশীৰ্বাদ কৰিলে। ময়ুৰধ্বজেও ধৰ্মৰাজৰ যজ্ঞাশ্ব কৃষ্ণক প্ৰত্যৰ্পণ কৰিলে।



মুখৰ মুখ

সমৰশেখৰ নামৰ এগৰাকী ৰজা আছিল। ৰজাই সদায় ভাবে, ভাবে আৰু ভাবে। ইমান যে কি ভাবে তেওঁ, তেওঁহে জানে, আন কোনেও সেই ভাবনাৰ ভু নাজানে। যি কি নহওক, এবাৰ ভাৰস্তা ৰজা, চিকাৰলৈ ওলাল, কিন্তু দিনৰ দিনটো ঘূৰি ঘূৰিও, ফন্দি কৰি ফুৰি ফুৰিও, চিকাৰ নিমিলিল। হতাশ ৰজাই 'কিয় চিকাৰ নিমিলিল' ভাবি ভাবি ভাবঁৰী-পকীয়াটি হৈ প্ৰাসাদ পালেহি।

ৰজা সমৰশেখৰৰ মহামন্ত্ৰী বৃদ্ধ হৈ পৰিছিল। তেওঁৰ নাম আছিল ধৰ্মানন্দ। ৰজাৰ ভাৱ-গধুৰ বিষণ্ণ ভাৱলৈ লক্ষ্য কৰি মহামন্ত্ৰী ধৰ্মানন্দই ৰজাক ক'লে, "মহাৰাজ, চিকাৰ হ'ল ৰাজন্যবৰ্গৰ খেলা। প্ৰকৃত চিকাৰীৰ লগত চখৰ চিকাৰী ৰজাসকলৰ বিস্তৰ পাৰ্থক্য। প্ৰকৃত পাৰ্থক্য। প্ৰকৃত চিকাৰীয়ে চিকাৰ কৰিব নোৱাৰিলে লঘোনে কটাব লাগে ; কিন্তু ৰজা-মহাৰজাৰ সেই সমস্যা নাই। এতেকে—চিকাৰ নাপাই মন মাৰি ভাবি থকাৰ হেতু নাই।"

পাছদিনা আহাৰৰ সময়ত ৰজাই ৰাণীক ক'লে, "আঞ্জাত নিমখ কম হৈছে।"

ৰাণীয়ে দুখ মনেৰে ৰজাক ক'লে, "মহাৰাজ, এখন আঞ্জাত নিমখ কম হ'ব পাৰে। কিন্তু আৰু যে ন'খন আঞ্জা আছে—সোৱাদ লৈ চাব পাৰিলেহেঁতেন।"

কিন্তু তিমানতে ৰজাই মুখ-হাত ধুই-মচি অন্তেষপুৰলৈ খোজ লোৱা হ'ল। এই ঘটনাৰ কিছুদিনৰ পাছত মহামন্ত্ৰী ধৰ্মানন্দই ৰজাক ক'লে." মহাৰাজ, আমাৰ দেশত এগৰাকী বিখ্যাত যোগী আহিছে।

আনন্দ খাৰঘৰীয়া



আপুনি সেই যোগীৰাজৰ ওচৰলৈ যায় যদি—আপোনাৰ নিশ্চয় ভাল হ'ব।"

মহামন্ত্ৰীৰ কথা মতে ৰজা সমৰশেখৰ মহামন্ত্ৰীকো লগত লৈ যোগীৰাজৰ ওচৰলৈ গৈ যোগীৰাজক প্ৰণাম কৰি ক'লে, "হে যোগীৰাজ মহাত্মা, মই এখন বিৰাট দেশৰ ৰজা, মই মনেখোৱা পত্নী পাইছোঁ, মোৰ ধন-সোণৰো অভাৱ নাই ; কিন্তু মোৰ মনত সদা-সৰ্বক্ষণ দুশ্চিন্তা। কেতিয়াও মোৰ মনত আনন্দ নাই। মোৰ মনৰ এই অৱস্থা কিয় হ'ল—অনুগ্ৰহ কৰি ক'বনে ?"

যোগীয়ে মুচুক কৰে হাঁহি এটি মাৰি ৰজাক ক'লে, "তোমাৰ এই দুশ্চিন্তা-দুৰ্ভাৱনাৰ হেতু মই জানো। এটা কাম কৰাঁ, মনত দুশ্চিন্তা নথকা মানুহ এজন বিচাৰি উলিয়াই, সেই দুশ্চিন্তাবিহীন মানুহৰ হাতত থকা আঙঠি লৈ পিন্ধা, তেতিয়া দুশ্চিন্তা দূৰ হ'ব।"

যোগীপুৰুষজনাৰ নিৰ্দেশ মতে দুশ্চিন্তা-বিহীন মানুহ বিচাৰি ৰজা নিজেই ওলাল। কেইদিনমানৰ পাছত ৰজাই এঠাইত হাঁহি-মাতি থকা মানুহ এজনক সুধিলেগৈ, "তুমিনো কোন ? তুমি কি কৰা ?"

"মই এজন পুৰোহিত। মই এখন গাঁৱতে থাকোঁ, মোৰ নাম—"

ৰজাই পুৰোহিতৰ কথা নৌশেষহওঁতেই কৈ উঠিল, "পুৰোহিতৰ কাম কৰি তুমি যিখিনি উপাৰ্জন কৰাঁ, তাৰে তোমাৰ সুখে-সন্তোষে চলেনে ?"

ৰজাৰ প্ৰশ্নৰ উত্তৰত পুৰোহিতে ক'লে, "সুখ, সন্তোষ—অতবোৰ বস্তু থকা হ'লে এনেকৈ কাংগলোৱাটো হওঁনে— ?"

ৰজা তাত আৰু নৰ'ল।

গৈ গৈ গৈ গৈ—ৰজাই এঠাইত জ্যোতিষী এজনক বহি থকা দেখি ভাবিলে ঃ এই জ্যোতিষী নিশ্চয় সদায় আনন্দতে থাকে, কিয়নো তেওঁ নিজৰ ভূত-ভৱিষ্যৎ জানে। এই কথা ভাবি ৰজাই জ্যোতিষীক সুধিলেগৈ, "আপুনি নিশ্চয়



সদা-সৰ্বক্ষণ আনন্দ মনেৰে কটায় ?"

এই প্ৰশ্নৰ উত্তৰত জ্যোতিষীয়ে ক'লে, "মোৰ মৃত্যুৰ দিন সমাগত। গতিকে— মোৰ মনত আন্দৰ প্ৰশ্ন নুঠে, বৰঞ্চ দুশ্চিন্তাইহে মোক জুমুৰি দি ধৰিছে।"

তাৰপৰা তৎক্ষণাৎ খোজ লৈ ৰজাই এঠাইত বহু মানুহ গোট খাই থকা দেখি তালৈ গ'ল। এজন মানুহে মূৰত তিৰোতাহঁতৰ দৰে কপোৰ লৈ নানান ধৰণৰ হাঁহি-উঠা অংগীভংগীৰে ধেমেলীয়া গল্প কৈছে, আৰু তাত গোট খোৱা মানুহখিনিয়ে তাৰ বহুৰালি দেখি আৰু শুনি গিৰ্জনি মাৰি হাঁহি উঠিছে।

ৰজাই মনুহৰ সেই ভিৰৰ মাজত এটা সোণৰ আঙঠি দলিয়াই পেলালে আৰু লগে লগে বহুৰালি কৰা মানুহজনে আঙঠিটো বুটলি ল'লে। তেতিয়া ৰজাই মানুহজনক ক'লে, "হেৰা, তুমি নিশ্চয় সদা-সৰ্বক্ষণ আনন্দতে থাকাঁ, নহয়নে বাৰু ?"

ৰজাৰ প্ৰশ্নৰ উত্তৰত মানুহজনে ক'লে, "চাওক— মই বহুৰালিৰে লোকক হুঁহুৰাওঁ, ঠিক কথা ; কিন্তু মোৰ নিজৰ মনত আনন্দৰ লেশমানো নাই। কিয়নো, ঘৰত মোৰ অনাহাৰ-অৰ্ধাহাৰ।"

ৰজা তাত আৰু নৰ'ল। তেওঁ বিৰামহীনভাৱে 'সদানন্দ' মানুহ বিচাৰি চকৰি ঘূৰাদি ঘূৰি ফুৰিবলৈ ধৰিলে। আৰু এইদৰে ঘূৰি ঘূৰি—বহুদিনৰ অন্তত —এটি 'সদানন্দ'ৰ সন্ধান পালে।

বহুদিন ধৰি একেৰাহে খোজ কাঢ়ি কাঢ়ি ঘূৰি ফুৰি ভাগৰি পৰি এজোপা গছৰ ছাঁত ৰজাই টোপনিত লাল-কাল দিলে। হঠাৎ ভোকৰ পোৰণিত ৰজাই খোৱাবস্তু বিচাৰি ইফালে-সিফালে চালে। এজন মানুহ এজোপা গছ কুঠাৰেৰে কাটি থকা তেওঁ দেখা পালে মাথোন।

মানুহজনে ৰজাক ক'লেহি, "আপুনিনো ক'ৰপৰা আহিছে? ক'লৈ যাব ?"

ৰজাই মানুহজনক ক'লে, "মই—

মই বাট হেৰুৱাইছোঁ।”

“তেনেহ'লে আপুনি মোৰ ঘৰলৈ ব'লক। আপুনি নিশ্চয়, ক্ষুধার্ত আপুনি এতিয়াৰপৰা মোৰ অতিথি।” কাঠকটীয়াই ৰজাক লৈ গ'ল নিজৰ ঘৰলৈ, আৰু তেওঁক চাৰিখন ৰুটি খাবলৈ দিলে।

ৰজাই মানুহজনক সুধিলে, “তুমি ইয়াত অকলেই থাকানে কি?”

কাঠকটীয়াই ক'লে, “অকলে থাকোঁ বুলি ক'লে—মিছা কথা কোৱা হ'ব। ইয়াত মোৰ লগত সৌ চৰাইবোৰ থাকে, সিহঁতৰ গীত-মাত শুনি মই আনন্দ পাওঁ। ইয়াত ম'ৰা চৰাইও ভালেমান আছে, চালিধৰা চায়ো মই ভাল পাওঁ। আৰু কেতিয়াবা কেতিয়াবা আপোনাৰ নিচিনা অতিথি-আলহীও নহা নহয়, দুই-এদিন নথকা নহয়, তাতো মই আনন্দ পাওঁ।”

“তেনেহ'লে দেখিছোঁ—তুমি ‘সদানন্দ’ মানুহ। এই অৰণ্যতে ইমান আনন্দ পোৱানে তুমি?”

ৰজাৰ এই প্ৰশ্নৰ উত্তৰত কাঠকটীয়াই ক'লে, “আপোনাৰ অনুমান সত্য। এই আনন্দৰ তুলনা নাই।”

ৰজাই কাঠকটীয়াক ক'লে, “তোমাৰ আঙঠি এটা মোক দিবানে? তাৰ পৰিৱৰ্তে তোমাক যি লাগে মই দিম।”

এই কথা শুনি হো হোৱাই হাঁহি উঠি কাঠকটীয়াই ৰজাক ক'লে, “আঙঠি এটা কিয়—মই তিনিটা বা পাঁচটাও দিলোহেঁতেন। কিন্তু এয়া চাওক—” কাঠকটীয়াই তাৰ হাত দুখন ৰজাৰ চকুৰ আগত মেলি ধৰি ক'লে, “মোৰ হাতত এটাও আঙঠি নাই, থাকিলেও মন—ক'ত পাওঁ মই আঙঠিৰ জোখাৰে ধন?”

তাৰ পাছত ৰজা পুনৰ ভাৱনাগধুৰ হৈ, বিষাদ মনেৰে ৰাজধানীলৈ উভতি অহাৰ পাছত যোগীৰজাৰ ওচৰলৈ গ'ল আৰু যোগীৰাজক ক'লে, “হে মহাত্মা, বহু ঠাই ঘূৰি সদানন্দ মানুহ এজনক বিচাৰি

পাইছিলোঁ। সেই মানুহজন সদা-সৰ্বক্ষণ আনন্দত মগন। কিন্তু দুখৰ কথা, সেই মনুহজনৰ হাতত কোনো আঙঠি নাছিল। গতিকে—মোৰ মন হৈ থাকিল আগৰ-দৰেই আমন-জিমন।"

যোগীপুৰুষজনাই এইবাৰো মুচুককৰে হাঁহিলে আৰু ৰজাক ক'লে, "মহাৰাজ, তুমি যিজন মানুহক সদা-সৰ্বক্ষণ আনন্দৰে মগন হৈ থকা দেখি আহিছা, সেই মানুহজনৰ হাতত আঙটি এটাও নাছিল, ধনো নাছিল; কিন্তু মানুহজন আছিল 'সদানন্দ'। এতিয়া তুমিয়েই ভাবি চোৱাচোন—একো নাই যাৰ, সেইজনৰ আনন্দৰ অপাৰ; তোমাৰ সা-সম্পদৰ নাই কূল-পাৰ, তথাপি তোমাৰ জীৱন কিয়নো অসাৰ? ভাবি চাবা, আৰু মোক ক'বা।" যোগীৰাজৰ প্ৰশ্নৰ উত্তৰত তেতিয়াই দিব নোৱাৰি, অলপ পৰলৈ ভাবি লৈ, ৰজাই যোগীৰাজক ক'লে, "সেই মানুহজনে—'আনন্দ' কাক বোলে তাকো হয়তো নাজানিলে, নাইবা, আনন্দৰ প্ৰকৃত উৎস হয়তো সেই মানুহজনে কেনেবাকৈ আৱিষ্কাৰ কৰিলে।"

যোগীৰাজে ৰজাক ক'লে, "আচল কথা হ'ল—চাহিদা। কাঠকটীয়াৰ মনত সদা-সৰ্বক্ষণ আনন্দৰ নিজৰা বৈ যোৱাৰ কাৰণ হ'ল—তাৰ চাহিদা বোলা প্ৰায় একোৱেই নাই। যাৰ যিমান চাহিদা,তাৰ তিমান অভাৱ তথা নিৰানন্দতা বাঢ়ে। আমাৰ মনৰ অপাৰ চাহিদায়েই হ'ল আমাৰ নিৰানন্দতাৰ হেতু। মনৰ চাহিদা হ্ৰাস কৰিব পাৰা যদি—সুখৰ মুখ নিশ্চয় তোমাৰ মনৰ দাপোণত দেখা পাবা।"

ৰজাই যোগীৰাজক সাষ্টাংগে প্ৰণাম কৰিলে আৰু যোগীৰাজে ৰজাক আশীৰ্বাদ কৰিলে। যোগীৰাজৰ কথা সাৱোগত কৰি ৰজাই তেওঁৰ ভৱিষ্যৎ জীৱন আনন্দময় তথা কৰ্মময় কৰি তুলিব পাৰিছিল।

ৰজাৰ ভুল

দেশৰ নাম দহিদ্দল। আৰু ৰজাৰ নাম তলাতল। ৰজা তলাতলৰ সবাতোকৈ অন্তৰংগ বন্ধুজনৰ নাম আছিল মধুফল। ৰাজকৰ্মচাৰীহঁতে আঁৰত 'মধুফলৰ ঢেঁকী' বুলি কৈছিল, কিয়নো ৰাজকৰ্মচাৰীহঁতে ৰজা তলাতল আৰু তেওঁৰ বন্ধু মধুফল শৰ্মাৰ ইমান বন্ধুত্বৰ কথাত ভাল নোপোৱা হৈছিল, আৰু দুয়োৰো মাজত বিৰোধা-বিৰোধি সৃষ্টিৰ তালত আছিল।

কিছুদিনৰ অন্তত হঠাৎ ৰজা তলাতলৰ মাতৃ স্বৰ্গী হ'ল। দেশৰ বৰ বৰ মানুহে ৰাজধানীলৈ আহি ৰজাৰ মাকৰ মৃত্যুত শোক প্ৰকাশ কৰিলে, ৰজাক সমবেদনা জ্ঞাপন কৰিলে। কিন্তু কথা আচৰিতেই— মধুফল শৰ্মা এবাৰলৈকো নাহিল। তেওঁ তেওঁৰ নিজস্ব কৰ্মচাৰী এজনৰ ঘৰত কৰ্মচাৰীজনৰ তোলনীয়া ছোৱালীজনীৰ বিয়াত অতিপাত ব্যস্ত হৈ আছিল।

ৰজা তলাতলে মাতৃৰ শ্ৰাদ্ধাদি অতি নিষ্ঠা তথা মৰ্য্যাদাৰে সম্পন্ন কৰিলে। কিন্তু এই উপলক্ষ্যেও মধুশৰ্মা নাহিল। এই ঘটনালৈ লক্ষ্য কৰি সেই ৰাজকৰ্ম-চাৰীহঁতে ৰজাৰ কাণত পানী ঢালিলে, সিহঁতে ক'লে, "মহাৰাজ! মধুফল ডাঙৰীয়াই আপোনাৰ প্ৰতি প্ৰদৰ্শন কৰা এই উপেক্ষা—আনকি আমাৰো অসহ্য!

"নিশ্চয় কিবা গুৰুতৰ কাৰণ থাকিব পায়।" ইমানলৈকে কৈ ৰজাই বৈ দিলে।

"মহাৰাজ, ৰাজমাতৃৰ মৃত্যুতকৈ দেশ এখনত ডাঙৰ ঘটনা আৰুনো কি হ'ব? ইয়ালৈ নাহি মধুফল ডাঙৰীয়াই তেওঁৰ লগুৱাৰ তোলনীয়া কন্যাৰ বিয়াত ব্যস্ত!"

ৰমেশ ৰাজখোৱা

শুনি শুনি ৰজাৰো ভাৰ হ'ল : সিহঁতে ঠিক কথাকে কৈছে। হঠাৎ খং উঠি ৰজাই প্ৰহৰীহঁতক ক'লে, "তোমালোকে এতিয়াই মধুফলক আনি কাৰাগাৰত ভৰাই থোৱাঁ।"

প্ৰহৰীহঁতে তৎক্ষণাৎ আদেশ পালন কৰিলে। মধুফলক ফাটেকত ভৰাই থোৱাৰ পাছত খবৰটো ৰজা তলাতলৰ মহামন্ত্ৰী মহীপতিৰ কাণত পৰিল। মহামন্ত্ৰী মহীপতিয়ে ৰজাক ক'লেগৈ, "মহাৰাজ, আপোনাৰ শুভাৰ্থী মধুশৰ্মাদেউ এগৰাকী মৰ্য্যাদাসম্পন্ন ব্যক্তি। আমি বহু বিষয়ত বহু বাৰ তেওঁৰ বুদ্ধিৰ পৰিচয় পোৱা হৈছোঁ। তেওঁ বহু বিষয়ত আপোনাক সৎ পৰামৰ্শ দান কৰি অথন্তৰৰপৰা ৰক্ষা কৰিছিল। আপুনি মোৰ ওচৰত বহু বহু বাৰ তেওঁৰ প্ৰশংসা কৰিছিল। গতিকে—নিশ্চয় গুৰুতৰ কাৰণ নাথাকিলে এনে আচৰণ নকৰিলেহেঁতেন। এতেকে—সকলো কথা ভালকৈ জনা কৰ্তব্য।"

"জানিবলগীয়া কিটো আছে? মোতকৈ তাৰ ওচৰত তাৰ চাকৰেইহে ডাঙৰ হ'ল।" ক্ৰুদ্ধ ৰজাই ক'লে।

"মহাৰাজ, মধুশৰ্মাৰ ওচৰলৈ—তথাপি যোৱা উচিত বুলি মই ভাবোঁ। তেওঁৰো কিবা বক্তব্য আছে যদি—আমি শুনা কৰ্তব্য।" মহামন্ত্ৰী মহাপতিয়ে ক'লে।

মহামন্ত্ৰীৰ কথাত ৰজা মহামন্ত্ৰীৰ লগ লাগি কাৰাগাৰলৈ গ'ল। ৰজাই মধুফললৈ তীব্ৰ দৃষ্টিৰে চাই বিৰক্তিৰে ক'লে, "মধু, মই তোমাৰ সৈতে বন্ধুত্ব পতাৰ বাবে এতিয়া লজ্জিত। বহু কাল ধৰি তোমাক মই মোৰ শুভাকাংক্ষী বুলি ভাবিছিলোঁ, এতিয়াহে মোৰ সেই ভুল আঁতৰিল। মোৰ মা স্বৰ্গী হ'ল, তুমি এটিবাৰলৈকো নাহিলা। নাহিলা বাৰু নাই—কিবা কাৰণত তুমি আহিব নোৱাৰিলা বুলি ভাবিছিলোঁ। কিন্তু শৰাধৰ সময়তো যে নোলাবাহি—কিবা সেই কথা মোৰ আটাইতকৈ কষ্টকৰ কল্পনায়ো ঢুকি পোৱা

নাছিল। তুমি এটিবাৰ এটি মুহূৰ্ত্তৰ কাৰণে উপস্থিত হৈয়ো মৃত আত্মাৰ বাবে শান্তি কামনা কৰিব পাৰিলাহেঁতেন। কিন্তু তুমি ব্যস্ত হৈ থাকিলা, আনন্দৰ সাগৰত সাঁতুৰি থাকিলা তোমাৰ চাকৰৰ তোলনীয় ছোৱালীৰ বিয়াত! তাৰ মানে—মই তোমাৰ মনত তোমাৰ চাকৰতকৈয়ো চিন-মোকাম নথকা মানুহ! নহয়নে?"

ৰজাৰ কথাৰ উত্তৰত মধুশৰ্মাই ৰজাক ক'লে, "মহাৰাজ! মোক আপোন ভাবিহে ইমানবোৰ কথা আপুনি কৈছে। মই কিয় যে মোৰ কৰ্মচাৰীটিৰ ছোৱালীজনীৰ বিয়াত ইমান ব্যস্ত হৈ আছিলোঁ সেই কথাটো কওঁ শুনক। মোৰ সেই কৰ্মচাৰীটিয়ে বহু চেষ্টাৰে তাইৰ কাৰণে এটি সৎপাত্ৰ যোগাৰ কৰিছিল; কিন্তু বিয়াখন পাতিব পৰাৰ জোখাৰে আৰ্থিক, বা কায়িক সামৰ্থ্যো তাৰ নাছিল। আনন্দ বা দুঃখ ৰজাৰো যিমান প্ৰজাৰো সিমানেই; ধনিকেও আনন্দত হাঁহে দুখত কান্দে, দুখীয়াৰো কথা একেটাই। মই মোৰ তলতীয়া কৰ্মচাৰী বুলি তাৰ ছোৱালীৰ বিয়া এৰি আঁতৰি যোৱাহেঁতেন, সিও আপোনাৰ দৰেই দুঃখ পালেহেঁতেন। তেও আপোনাৰ মোৰ বাহিৰে আৰু অজস্ৰ বন্ধু-শুভাৰ্থী আছে; তাৰ কিন্তু একমাত্ৰ মই, আন কোনো নাছিল।"

বন্ধু মধুশৰ্মাৰ কথাবোৰ অলপ পৰলৈ ভাবি চাই ৰজাই লাহেকৈ ক'লে, "বন্ধু মধু, মই এতিয়াহে বুজিব পাৰিছোঁ যে লোকৰ কথাত উত্তেজিত হৈ মই তোমাৰ প্ৰতি ঘোৰ অবিচাৰ কৰিলোঁ। যি কি নহওক—এইবাৰ মই লোণ-পাত চেলেকা লগনিয়াৰহঁতকো চিনি পালোঁ।" এই বুলি কৈ, ৰজাই নিজ হাতেৰে বন্ধু মধুক কাৰা-গাৰৰপৰা মুক্ত কৰি আনি বুকুত আঁকোৱালি ল'লে আৰু সিদিনাৰেপৰাই মধুশৰ্মাক পৰামৰ্শদাতাৰ পদত নিযুক্ত কৰিলে।



১০

চিত্রসেন
আৰু উগ্ৰাক্ষই মিলি
মহাৰাজ বীৰসিংহৰ প্ৰাসাদ
শত্ৰুৰ কবলমুক্ত কৰি পেলালে আৰু
তাৰ পাছত এটা বন্ধ কক্ষৰপৰা বৃদ্ধ মহাৰাজক
উদ্ধাৰ কৰিলে। পিতৃ-পুত্ৰীৰ মিলন হ'ল। কান্তিমতীয়ে
চিত্ৰসেনক তেওঁৰ পিতৃদেৱ মহাৰাজ বীৰসিংহৰ সৈতে চিনাকি কৰাই
দিলে। বীৰসিংহ মহাৰাজে নাগবৰ্মাৰ কথা জানিবলৈ চিত্ৰসেনক সুধিলে।
চিত্ৰসেনে ক'লে যে তেওঁৰ সৈন্যইতে ধৱলগিৰিৰ বাটত নাগবৰ্মাক ধৰিবলৈ খেদি গৈছে।
তাৰ পাছত···

চিত্ৰসেনৰ কথা শুনি বীৰসিংহ মহাৰাজে অবাক মানিলে। বীৰসিংহদেৱে উগ্ৰাক্ষলৈ চাই চিত্ৰসেনক ক'লে, "উগ্ৰাক্ষৰ সৈতে তোমাৰ সুসম্পৰ্কৰ কথা মই নাজানিছিলোঁ। মই এই বিষয়ে আন ধৰণৰ খবৰ পাইছিলোঁ। এগৰাকী চুবুৰীয়া ৰজাই—অৰ্থাৎ তুমি যে মোক উদ্ধাৰ তথা ৰক্ষা কৰিবলৈ আগবাঢ়ি আহিবা—ই আছিল মোৰ সপনৰো বাহিৰ।"

এনেতে দুজন সৈন্য হেঁপাই-ফোঁপাই



দৌৰি আহিল আৰু চিত্ৰসেনক ক'লে, "মহাৰাজ, বিৰাট সৈন্য বাহিনীৰে সৈতে নাগবৰ্মাই এই প্ৰাসাদ আক্ৰমণ কৰিবলৈ তীব্ৰ গতিৰে আগুৱাই আহিব ধৰিছে !"

নাগবৰ্মাৰ নাম শুনামাত্ৰেই মহাৰাজ বীৰসিংহৰ মুখ অলপ শেঁতা পৰিল। চিত্ৰসেনো শুনি অবাক হ'ল। তেওঁ ভাবি থাকিল: তেনেহ'লে নাগবৰ্মাই ধৰলগিৰি দখল কৰাৰ অন্ততহে পুনৰ ইয়ালৈ আহিব ধৰিছেনে কি? নে তাত সি পৰাস্ত হৈহে এইপিনে গতি লৈছে?

চিত্ৰসেনে উগ্ৰাক্ষক ক'লে "উগ্ৰাক্ষ, তোমাৰ অনুচৰইঁতক লৈ তুমি এই প্ৰাসাদ ৰক্ষা কৰিবা। অমৰপাল ক'ত?"

সৈন্য এজনে কৈ উঠিল, "তেওঁ শত্ৰুৰ ৰাজশক্তি-সামৰ্থ্যৰ বুজ ল'বলৈ গ'ল।"

"উগ্ৰাক্ষ তুমি তেন্তে এতিয়া—তোমাৰ অনুচৰইঁতক লৈ প্ৰাসাদ ৰক্ষাৰ দায়িত্ব—"

"মহাৰাজ—" চিত্ৰসেনৰ কথাৰ মাজতে উগ্ৰাক্ষই কৈ উঠিল, "এতিয়া প্ৰাসাদৰ দুৱাৰ বোলা একো আৰু নাই। প্ৰাসাদৰ দেৱালবোৰ বহু ঠাইত ভাঙি পেলোৱাত এতিয়া অসংখ্য দুৱাৰ হৈ গ'ল। মোৰ অনুচৰইঁতে দেৱালৰ সেই ভগা ঠাই-বোৰেদি শত্ৰুলৈ নজৰদাৰি কৰিছে। প্ৰাসাদৰ ভালেখিনি অনিষ্ট হ'ল। অৱশ্যে বীৰসিংহদেউক উদ্ধাৰ কৰাৰ কাৰণেহে এইবোৰ ক্ষতি কৰিবলগা হ'ল আৰু—।"

উগ্ৰাক্ষৰ কথাখিনি নৌ শেষ হওঁতেই অমৰপাল লৰি-ধাপৰি আহিল তাত। অমৰপালে হেঁপাই-ফোঁপাই চিত্ৰসেনক ক'লে, "মহাৰাজ! আমাৰ শত্ৰু ধৰলগিৰিৰ বাটত পৰাজিত হৈ এইপিনে চোঁচা লৈছে। নাগবৰ্মাৰ লগত বৰ বেছি সৈন্য নাই। এইবোৰ শত্ৰুসৈন্যক কচুকটা দিবলৈ আপোনাৰ আৰু আপোনাৰ পিতৃদেৱৰ সৈন্যবাহিনীয়েও নাগবৰ্মাক চেপেনাই ধৰা দি তুফালৰপৰা চেপি ধৰা দেখিলোঁ। এতিয়া নাগবৰ্মাৰ অৱস্থা

হ'ল—আগত গজহস্তী, পাছত মাৰখাৰৈ।"

অমৰপালৰ কথা শুনি উগ্ৰাক্ষই হো হোৱাই হাঁহি উঠিল ; কিন্তু অমৰপালৰ কথাখিনিয়ে চিত্ৰসেনক আনন্দ যোগালে। চিত্ৰসেনে অমৰপালক ক'লে, "অমৰপাল, তুমি সৈন্যহঁতক লগত লৈ প্ৰাসাদৰপৰা ভালেখিনি আঁতৰ হৈ ৰৈ থাকাঁগৈ। শত্ৰুহঁত প্ৰাসাদৰপৰা বহু দূৰৈত থাকোঁতেই আমি সিহঁতক যমৰ আলহী কৰিম।"

উগ্ৰাক্ষই চিত্ৰসেনক ক'লে, "মহাৰাজ, মোৰ মগজুত নতুন বুধি এটাই মূৰা-পাক দিব ধৰিছে, অনুমতি পাওঁ যদি, কওঁ।"

"পাতনিৰ দৰকাৰ নাই, বৃন্দাৱন এৰি মথুৰালৈ আহাঁ।" চিত্ৰসেনে ক'লে।

উগ্ৰাক্ষই উৎসাহিত হৈ ক'লে, "নাগবৰ্মাই তাৰ সৈন্যকেটাৰে সৈতে প্ৰাসাদৰ ভিতৰত সোমাওকহি। তাৰ পাছত তাক আৰু তাৰ সৈন্যকেটাক এটা এটাকৈ যমৰ পঁজালৈ পঠাম। প্ৰাসাদৰ ভিতৰত সোমোৱাৰ পাছত আৰু যাতে ওলাব নোৱাৰে তাৰ বন্দবস্ত কটকটীয়াকৈ কৰিম।"

উগ্ৰাক্ষৰ প্ৰস্তাৱ শুনি অমৰপালে উৎসাহিত হৈ ক'লে, "বঢ়িয়া আঁচনি! নিমখ হাৰাম নগবৰ্মা একেবাৰে না মামাৰ ঘৰ পাকৰিৰ তল হ'ব, তাৰ বংশ ছেদ হ'ব, তাৰ ভেটি-মাটি উছন হ'ব! উগ্ৰাক্ষৰ পেটে পেটেও যে ইমান বুধি! নাগবৰ্মাক এবাৰ কেনেবাকৈ সুমুৱাব পাৰিলেই হ'ল, ফান্দতে পৰিয়া বগা কান্দিব হায় হায়! অৱশ্যে আমি ইয়াত থকাৰ কথাৰ যদি বতাহতো গোন্ধ পায়, সি ভিৰাই লৰ মাৰিব।"

চিত্ৰসেনে উগ্ৰাক্ষক ক'লে, "আঁচনিটো বেয়া নহয় ; পিছে এটা বিপদ আছে।"

উগ্ৰাক্ষ আৰু অমৰপালেও জিজ্ঞাসু দৃষ্টিৰে চিত্ৰসেনলৈ চালে।

চিত্ৰসেনে ক'লে, "আমাৰ মহাৰাজ বীৰসিংহ যিটো কক্ষত আছে, নাগবৰ্মাই, বা তাৰ সৈন্যকেইটামান যদি সেইটো



কক্ষত সোমায়গৈ—কথা বিষম নহ'বনে ?"

চিত্ৰসেনৰ এই কথাৰ উত্তৰত উগ্ৰাক্ষই কৈ উঠিল, "তেনেকুৱা বিপদ যাতে নহয়, তাৰ দায়িত্ব মই ল'ম। নাগবৰ্মাক খতম কৰিব নোৱাৰিলে এইবোৰ অঞ্চল সদায় অশান্ত হৈয়েই থাকিব, সদায় খোৱা-কামোৰা লাগি থাকিব। এইদৰে, এই উপায়ে তাক খতম নকৰিলে, সি যদি বিপদৰ গোন্ধ পাই পলাই যায়, তেতিয়া তাক জব্দ কৰাটো বেছ টান হ'ব পাৰে।"

ইমানপৰে মহাৰাজ বীৰসিংহ নিমাতে আছিল। উগ্ৰাক্ষৰ কথা শুনি উত্তেজিত হৈ তেওঁ কৈ উঠিল, "তোমালোকৰ মাজত কোনোবাই যদি নাগবৰ্মাক জীয়ন্তে ধৰি আনিব পাৰা, ৰাজত্বৰ আধা অংশ দিম আৰু লগতে এক সহস্ৰ স্বৰ্ণমুদ্ৰাও দিম।"

মহাৰাজ বীৰসিংহৰ কথা শুনি চিত্ৰসেন প্ৰায় হতবাক হৈ পৰিল। অবাক হ'ল ৰাজকুঁৱৰী কান্তিমতী। কান্তিমতীয়ে তেওঁৰ দেউতাকক সুধিলে, "তুমি—ৰাজত্বৰ আধা—দিবা ?"

মহাৰাজ বীৰসিংহই ক'লে, "নিশ্চয় দিম। এই দেশদ্ৰোহী-ৰাজদ্ৰোহীটোৱে মোক বহু দিন ধৰি অন্ধকাৰ কক্ষত হাতে-ভৰিয়ে বান্ধি মোৰ ওপৰত আৰু যে কত ৰকমৰ অত্যাচাৰ নকৰিছিল।

চিত্ৰসেনে ক'লে, "তেনেহ'লে—কৌশল এটা কৰিব লাগিব। নাগবৰ্মাই একেবাৰে গম নোপোৱাকৈ প্ৰাসাদৰ ভিতৰত লুকাই থাকিব লাগিব আৰু সি মহাতুষ্টই সোমোৱাৰ লগে লগে একেলগে তাৰ ওপৰত জঁপিয়াই পৰিব লাগিব।"

"এই কামৰ দায়িত্ব মোক আৰু অমৰপালক দিয়ক, আৰু আপুনি, ৰাজকুঁৱৰী আৰু দেউতা মহাৰাজে এটা কোঠাত নিৰাপদে বহি থাকক।" এই বুলি চিত্ৰসেনক কৈ, উগ্ৰাক্ষই তাৰ অনুচৰহঁতলৈ চাই পুনৰ ক'লে, "তহঁতে সকলো কথা শুনিলিয়েই। এতিয়া কৰিবলগাখিনি

জল্‌দি জল্‌দিকৈ কৰগৈ।”

অমৰপালৰ আৰুউগ্ৰাক্ষৰ অনুচৰহঁত গুপ্ত ঠাইবোৰত লুকাই থাকিল। কিছুমান প্ৰাসাদৰ ভিতৰতে থাকিল, কিছুমান বাহিৰত। সিহঁত এনেকৈ লুকাই থাকিল যে তাত যে কোনো জন-প্ৰাণী আছে তাৰ চিন-মোকামো নোহোৱা হ'ল।

আৰু চাওঁতে চাওঁতে জালিম যেন নাগবৰ্মা ঘোঁৰা চেকুৰাই তাত উপস্থিত হ'লহি আৰু ঘোঁৰাৰ ওপৰত বহিয়েই চাৰিওফালে এবাৰ চাই ল'লে। তেতিয়া ঠাইটুকুৰা একেবাৰে নিমাওমাও। যেন নাগবৰ্মাই সাৱধানী দৃষ্টিৰে সকলো পিনে চকু ফুৰাই লোৱাৰ অন্তত গম্ভীৰ কণ্ঠেৰে কৈ উঠিল, “কৰবীৰ! আমি যিকথা ভাবিছিলোঁ, সেয়ে সঁচা হ'ল। আমাৰ শত্ৰুহঁত প্ৰাসাদ অধিকাৰ কৰিবলৈ ইয়ালৈ আহিছিল কিন্তু সম্ভহতে সিহঁত ইয়াত নাই। নিশ্চয় ব্যৰ্থ হৈ গুচি গ'ল।”

‘কৰবীৰ' হ'ল জ্বালাদ্বীপিয়াহঁতৰ নেতা বা চৰ্দাৰ। নাগবৰ্মাৰ লগ লাগি ধৰলগিৰি আক্ৰমণ কৰি চিত্ৰসেনৰ পিতৃদেৱ মহাৰাজ তাৰকেশ্বৰক বেয়াকৈ আহত কৰাৰ অন্তত কৰবীৰো নাগবৰ্মাৰ সৈতে এই ফাললৈ— অৰ্থাৎ কপিলপুৰলৈ পলাই আহিল।

“ঠিকেই কৈছে, মহাৰাজ! আপোনাৰ

অনুমান নিৰ্ভুল। পিছে—প্ৰাসাদত পৰ দি ৰৈ থকা আমাৰ সৈন্যহঁতৰো তো ৰাইকুই নাই! হাৰামৰ নেগুৰ শত্ৰুহঁত গুচি যোৱাৰ আগতে—আমাৰ বিলাককো বোধকৰোঁ নাগেৰা-পিটা দি নাজল-নাথল কৰি থৈ গ'ল। আমাৰহঁত বোধকৰোঁ— সিপুৰী পালেগৈনে কি! যেই কি নহওক, এতিয়া ইয়াত কোনো নাই যেনেই পাইছোঁ—মানে—মহাৰাজ, আপোনাৰ অনুমাননো ভুল হয় কেনেকৈ? কিন্তুক এটা কথা। আমাৰ চৰাই দুটা, আৰু সিহঁত দুটাৰ ৰথীয়া দুটায়েই বা ক'ত?”

নাগবৰ্মাই চিন্তিতভাৱে ক'লে, “মই

কিন্তু সম্পূৰ্ণ অন্য কথা ভাবিছোঁ। শত্ৰুহঁত যদি ইয়ালৈ আহিছিল, বন্দী বীৰসিংহ বুঢ়াক সিহঁতে কৰিলেনো? যদি বিচাৰি উলিয়াইছিল, মাৰিলেনে এৰিলে? মাৰিলে যদি ভালেই হ'ল; কিন্তু যদি এৰিলে—আমাকে কিন্তু সেই হাৰামী বুঢ়াই নেৰিব; বেঢ়িবহে।" এখন্তেক ৰৈ, নাগবৰ্মাই পুনৰ কৈ উঠিল, "অৱস্থা যেনেকুৱাই নহওক, তাৰকেশ্বৰৰ সৈন্যহঁত এই ঠাই আহি পোৱাৰ আগতেই এই প্ৰাসাদৰ ভিতৰত আশ্ৰয় লৈ নিৰাপদ হ'ব লাগিব।"

তাৰ পাছত নাগবৰ্মাই তাৰ সৈন্যহঁতক উদ্দেশি ক'লে, "আমাৰ পিছে পিছে শত্ৰুৰ সৈন্যহঁত ঢপলিয়াই আহিব ধৰিছে, আৰু সিহঁতৰ সৈন্যসংখ্যা আমাতকৈ বহু বেছি। কেনেবাকৈ আমাৰ সন্ধান যদি পায়, আমাক বাঘে খোৱাদি খাব। এতিয়া আমি আগুৱালে সিহঁতে আমাক মাৰিব, পিছুৱালে বধিব গতিকে—এই প্ৰাসাদত সোমাই প্ৰাণ ৰক্ষাহে এতিয়া একমাত্ৰ কথা। ব'লা আগুৱাওঁ।"

নাগবাৰ্মই আৰু কৰবীৰ ঘোঁৰাত উঠি গ'ল, আৰু সৈন্যহঁত সিহঁতৰ পিছে পিছে থৰক-বৰক খোজেৰে গৈ থাকিল। অলপ পাছত সিহঁতে প্ৰাসাদ পালেগৈ। সিহঁত প্ৰাসাদৰপৰা অলপমান আঁতৰ হৈ ৰ'ল। সৈন্যহঁতক তাতে ৰৈ থাকিবলৈ কৈ, নাগবৰ্মা আৰু কৰবীৰ প্ৰাসাদৰ কাষ চাপি ভগা দেৱালৰ ফুটাইদি ভিতৰলৈ জুমি চালে। নাই, কোনো-কেও নাই, একো সাৰ-সুৰ ৰাই-কুই নাই।

নাগবৰ্মাৰ সন্দেহৰ গোন্ধ পালে। কৰবীক ক'লে, "ইমানেই—নিমাওমাও! কোনো কৌশল নহয় তো?"

কৰবীৰে কক্‌কাই কৈ উঠিল, "কিনো কৌশল হ'ব? কোনেনো কৌশল কৰিবলৈ ৰৈ থাকিব ইয়াত?"

"চোৱা কৰবীৰ, আমাৰ সৈন্যহঁত ইয়াত আছিল। ধৰি ল'লোঁ—সিহঁত আটাই-


CHITRA

কেইটায়েই মৰিল। মোৰ প্ৰশ্ন হ'ল—সিহঁতৰ মৃতদেহবোৰ ক'ত? এটাও দেখোন পৰি থকা নাই। অৱশ্যে—ৰাক্ষস উগ্ৰাক্ষ যদি তাৰ অনুচৰবিলাকক লৈ ইয়ালৈ আহিছিল, তেনেহ'লে সেই কথা বেলেগ।"

নাগবৰ্মাৰ এই কথাই ইমানপৰে বীৰ হৈ থকা কৰবীৰৰ মনত ভয় সুমুৱাই দিলে। উগ্ৰাক্ষৰ নাম শুনিলেও কৰবীৰৰ মৰি যোৱা যেন লাগে। ৰাক্ষসৰনো বাছ কি বিচাৰ কি?

ভীত-সন্ত্ৰস্ত কৰবীৰে নাগবৰ্মাক ক'লে, "মহাৰাজ, এটা কাম কৰিলে কেনে দেখে?"

"কি?" নাগবৰ্মাই আগ্ৰহৰে সুধিলে।

"ইমান ডাঙৰ প্ৰাসাদটোত—আপুনি কৈছে যেতিয়া—মিছা হয়নো কেনেকৈ—উগ্ৰাক্ষ বা তাৰ চেলা-চামুণ্ডাইঁত লুকাই থাকিবও পাৰে। কিন্তুক এতিয়া আমাৰ পলাবৰো পথ নাই। আত্মৰক্ষাৰ বাবে এই প্ৰাসাদতে—বাঘ ভূত যক্ষৰক্ষ যিয়েই নাথাকক—এইটো প্ৰাসাদৰ ভিতৰতে সোমাই থাকিব লাগিব। যদি প্ৰাসাদৰ ভিতৰত শক্ৰইঁত কেনেবাকৈ ক'ৰবাত লুকাই আছেও, তথাপি ইয়াতে আমিও সোমাবহে লাগিবই। কিয়নো—সন্মুখতে আমাৰ ওপৰে শিল তলে কিল অৱস্থা। প্ৰাসাদৰ ভিতৰলৈ সোমাই থাইকহে থাকিলে খাব, বাহিৰত বৈ থাকিলে তাৰকেশ্বৰৰ সৈন্যই মৰমৰ চুমাৰে নাকটি ছিঙিব। গতিকে এতিয়া আমাৰ মাটিত বাঘ, পানীত কুম্ভীৰ, যাওঁনো কেনি মই কৰবীৰ? মহাৰাজ, যদিও লাজৰেই কথা, তথাপি—এতিয়া মুখত আঠা ৰাখি কথা কোৱাৰ সময় নহয় বুলি ভাবি ভাঙি-পাতি ক'লোঁ। এতিয়া আৰু আলিবাটত চালি ধৰি নাথাকি—কিয় আৰু শত্ৰুলৈ বাট চাওঁ—ব'লক হেঁকাই টিলিকি বাওঁ—সোমাই যাওঁ, কেনেবাদি সোমাই যাওঁ।" [অহা সংখ্যাত

বাৰ বৈৰীৰ কামোৰ

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল আৰু গছৰ ডালত ওলমি থকা শ'টো নমাই আনি, কান্ধত পেলাই লৈ নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা! তুমি যে কিয় এনেকৈ অনন্তকাল ধৰি উজাগৰে কটাই এই শ্ৰম কৰিছা, কেৱল তুমিহে ক'ব পাৰিবা। কিন্তু প্ৰতিজ্ঞাত সফল হ'লেও যে তুমি বাৰ বৈৰীৰ কামোৰত জুৰুলা নহ'বা তাৰ স্থিৰতা নাই। মোৰ কথাৰ প্ৰমাণ স্বৰূপে মই 'তিনি বণিজাৰু'ৰ কাহিনী কওঁ, শুনা। এই কাহিনী শুনি শুনি গৈ থাকিলে তোমাৰ পথশ্ৰম কথঞ্চিত লাঘৱ হ'ব।" এই বুলি কৈ, বেতালে 'তিনি বণিজাৰু'ৰ কাহিনী ক'বলৈ ধৰিলে ঃ

'বেতাল-কথা'

সুপ্ৰাচীন কালৰ কথা। প্ৰতিষ্ঠাপুৰত জয়, সোম আৰু শিৱ নামৰ তিনিজন বণিজাৰ আছিল। তিনিজনেই পৰস্পৰক 'জোঁৱাই' বুলি মাতিছিল, বেপাৰ-বণিজলৈ ওলালে তিনিও একলগ হৈ ওলাইছিল।

*

এবাৰ সিহঁত তিনিও সিংহপুৰলৈ যাবলৈ একেলগে ৰাওনা হ'ল। সিংহপুৰ বহু দূৰ। এদিন দুদিন তিনিদিন, দিনৰ পাছত দিন ধৰি সিহঁত গৈ থাকিল গৈ থাকিল গৈয়েই—থাকিল। আৰু এইদৰে গৈ গৈ এদিন সিহঁত সিংহপুৰ পালেগৈ, বেপাৰ-বণিজাৰ আ-অৱস্থা চালেগৈ, আৰু বণিজত ধৰি বেপাৰ কৰি লাভৰো উপৰি লাভ কৰি দুমাহ দহদিন অন্তত জয় আৰু সোম উভতি আহিল।

*

কিন্তু শিৱ উভতি নাহিল। উভতি অহাৰ পাছত সিহঁত শিৱৰ ঘৰলৈ গ'ল আৰু শিৱৰ পৰিবাৰক ক'লে, "সিংহপুৰৰপৰা উভতি আহোঁতে এক হাবিয়নিৰ কাষত জিৰণি লওঁতে শিৱক বাঘে নিলে। কথা মাথোন ইমানেই নহয়, তাৰ ওচৰত থকা মণি-মুকুতাবোৰ আন এগৰাকী বণিজাৰক দিলে সুমাত্ৰা, বালীদ্বীপ আদি ঠাইত বেচিবলৈ। সেইগৰাকী বেপাৰী অহা বছৰমামতহে উভতি আহিব আৰু মণি-মুকুতা বেচা ধন ওভোতাই দিব।"

*

শুনি শিৱৰ পৰিবাৰ শিলহেন হৈ পৰিল। এনে দুঃসংবাদ শুনি তাই কি ক'ব-কি নক'ব একো ভাবিবই নোৱাৰিলে।

*

শিৱৰ তিনিটি সন্তান আছিল। স্বামীৰ মৃত্যু সম্বাদ পাই শিৱৰ পৰিবাৰ শিৱানী বজ্ৰাহতা যেন হৈ পৰিল। তাইৰ মুখৰপৰা এটা শব্দও নোলাল। তাইৰ এনে অৱস্থালৈ চাই জয় আৰু সোমে বিচলিত হৈ ক'লে,

"শিৰৰ মণি-মুকুতাখিনিৰ দাম আৰু কেইমাহমানৰ পাছত পোৱা যাব। পোৱামাত্ৰেই আমি তোমাক আনি দিম। এই কথাত একেবাৰে চিন্তা নকৰিবা।"

*

সন্তান—জয়ৰো আছিল, সোমৰো। জয়ৰ আছিল এজনীমাত্ৰ ছোৱালী, আৰু সোমৰ আছিল এটি মাথোন ল'ৰা। সোমৰ ল'ৰাটোৰ নাম আছিল মংগল, আৰু জয়ৰ ছোৱালীজনীৰ নাম আছিল জয়া।

*

কিছুদিনৰ পাছত সোম বেমাৰত পৰিল। বেমাৰ টানেই। সেই যে সোমে পাটী ল'লে আৰু নুঠা হ'ল! কাম-কাৰবাৰ অৱশ্যে মংগলে চোৱা-মেলা কৰি থাকিল।

*

এদিন সোমে তাৰ পুতেক মংগলক কালে, "বোপা, মই আৰু বেছিদিন নাই। যমৰ দুৱাৰ দেখা পাইছোঁ। এটা কথা কওঁ, মনত ৰাখিবা, জয়ে মোক আধা ভাগ দিব বুলি ··।" ইমানলৈকে কৈ, সোমে আৰু আৰু ক'ব নোৱাৰিলে। কিন্তু অলপ পৰলৈ কেঁকাই-গেঁথাই যি ক'লে, তাৰে মংগলে এইখিনি মুঠমাঠ বুজি পালে যে জয়ে দিবলগাখিনি দিয়ে যদি, সেইখিনি শিৰৰ পৰিবাৰক দিব লাগিব। আৰু তাৰ পাছত এদিন সোম ঢুকাল। মংগল অঠাই সাগত পৰিল।

*

মংগলে তাৰ শ্ৰদ্ধেয় দেউতকাৰ শ্ৰাদ্ধ কৰাৰ অন্তত এদিন পিতৃবন্ধু জয়ক ক'লেগৈ, "খুৰাদেউ, দেউতাক আপুনি দিবলগা কিবা আছিলনে কি? দেউতাই মোক কথাটো মৃত্যুৰ আগে আগে কৈ গৈছিল কাৰণেহে সুধিলোঁ, বেয়া নাপাব। তেওঁ কৈছিল যে—আপুনি দেউতাক দিবলগাখিনি দিয়ে যদি—সেইখিনি শিৰ-খুড়াৰ ঘৰত দিব লাগিব।"

জয়ে আমনি পোৱা যেন হৈ ক'লে,



“তোমাৰ দেউতাৰাই মোৰ পৰা বিশেষ একো পাবলগা নাছিল, পিছে—বেপাৰলৈ ওলাই আমাৰ—মানে মোৰ আৰু শিৰৰো ঘূৰি ফুৰাৰ যাবতীয় খৰচ-পাতি তেৱেঁই দিছিল। কেতিয়াবা ওলাই ময়ো, বা শিৰৰো খৰচ কৰিছিল। যি কি নহওক, যোৰাবাৰৰ টকাকেইটা অৱশ্যে পাব তেওঁ। দিম মই, লৈ যাবাহি এদিন। পিছে—সেই সামান্য টকাকেইটামান শিৰৰ পৰিবাৰক দিনো হ'ব কি? মই তোমাৰ দেউতাৰৰ—যদিও স্বৰ্গী মানুহৰ কথা এইদৰে কোৱা উচিত নহয়—তথাপি কওঁ—তোমাৰ দেউতাৰাৰ এইবোৰ কথা-কাণ্ডৰ মাথা-মূণ্ড একো বুজি পোৱা নাই মই। যি কি নহওক—মই সেইখিনি দিম, লৈ যাবহি এদিন।”

“খুড়াদেউ, এয়া মোৰ কথা নহয়, দেউতাৰ। এই টকাখিনিৰে শিৰ-খুড়ীয়ে কি কৰিব-নকৰিব, তেওঁৰ কি হ'ব-ন'হব—কেনেকৈ ক'ম?” মংগলে ক'লে।

এই কথাৰ সিমানতে আধ্যা পৰিল। তাৰ পাছৰপৰা, মংগলে নিজেই শিৰ খুড়ীক অলপ টকা-পইচা দিছিলগৈ।

*

ছমাহমানৰ অন্তত জয় পুনৰ সিংহপুৰলৈ ওলাল। জয়ৰ লগত মংগলো ওলাইছিল। দুয়ো মণি-মুকুতা বেচিবলৈ ওলাইছিল। যাওঁতে হাবিৰ মাজত থকা সাধুৰ আশ্ৰমত সিহঁত দুয়ো এনিশা যাপিলে। এই সাধুগৰাকী আছিল দহোখন গাঁৱৰ দহোৰবাইজৰ উপকাৰী বন্ধু। এই সাধুৱে কেৱল ‘ভগৱান ভগৱান’ নকৰি সমাজৰ সেৱাও কৰিছিল আৰু তেওঁৰ এই কামত গাঁৱৰ ৰাইজেও হাত উজান দিছিল। জয় আৰু মংগলে পাছদিনা সাধুৰ আশ্ৰমৰ-পৰা পুনৰ সিংহপুৰলৈ বুলি ৰাওনা হ'ল।

*

প্ৰায় পোন্ধৰ দিনৰ পাছত সিহঁত দুয়ো সিংহপুৰ পালেগৈ। সিংহপুৰ পায়েই

ছুয়োজন মণি-মুকুতা বেচিবলৈ ওলাল।

*

সিংহপুৰৰ চুবুৰীয়া ৰাজ্যখনৰ নাম ব্যাঘ্ৰপুৰ। সিংহপুৰত ব্যাঘ্ৰপুৰৰ ৰজাৰো এটি প্ৰাসাদ আছিল আৰু ৰজাই মাজে-মধ্যে তাত বিশ্ৰাম কৰিছিলহি। মংগলে ব্যাঘ্ৰপুৰৰ ৰজাক তাৰ মণি-মুকুতাখিনি দেখুৱালেগৈ।

*

ব্যাঘ্ৰপুৰৰ ৰজাই মণি-মুকুতাবোৰ চাই, মংগল ক'ৰপৰা আহিছে তাৰ খবৰ লৈ, অবাক হৈ ক'লে, "যোৱা বছৰতো ঠিক এনে সময়ত মই ইয়াতে আছিলোঁহি, আৰু প্ৰতিষ্ঠাপুৰৰ বেপাৰী এজনে মোক বহু বহু মণি-মুকুতা দেখুৱাইছিল। সেই সেই বেপাৰীজনৰ ওচৰত এটি অতি মূল্যৱান হীৰা আছিল। ইমান চালে চকু বৈ যোৱা আৰু প্ৰকাণ্ড আকাৰৰ হীৰা মই তাৰ আগতে বা পাছতো আৰু কেতিয়াও দেখা নাছিলোঁ। মই বহু মূল্যৰে সেই হীৰাডোখৰ কিনিছিলোঁ।"

তাৰ পাছত, ব্যাঘ্ৰপুৰৰ ৰজাৰ ওচৰত কিছুমান মূল্যৱান মণি-মুকুতা বেচি, মংগল উভতি আহিল সিংহপুৰৰ সেই ধৰমশালালৈ—য'ত সিহঁত দুয়ো আছিলহি।

অলপ পাছত জয়ো আহিল। মংগলে জয়ক সুধিলে, "খুড়া, আপুনি যোৱা বছৰ ব্যাঘ্ৰপুৰৰ ৰজাক এটা অতি দামী হীৰা বেচিছিল জানো?"

"ওঁ। কিয় কোৱাচোন? এই কথা সুধিছা কিয়?" জয় সুধিলে।

"তেওঁ মোৰপৰা মুকুতা কিছুমান মূল্যৱন মণি-মুকুতা কিনিলে, আৰু কথাই কথাই কথাটো ওলাল।" মংগলে ক'লে।

*

পাছদিনা মংগলে জয়ক ক'লে, "ইয়াতে শিৰখুড়াই তেওঁৰ সেই মণি-মুকুতাখিনি কোনোবা বণিজাৰক দিছিল নহয় দূৰ-দূৰণিলৈ লৈ যাবলৈ? তেওঁ উভতি আহিলনে কি তাৰ খবৰ কৰিব লাগিব।"

জয়ে উত্তৰ দিলে. "মই ইতিমধ্যেই খবৰ লৈছোঁ। তেওঁৰ হেনো তাত ঢেৰ লোকচান হ'ল। অৱশ্যে—এই বেপাৰীজন হেনো ভাল মানুহ নহয়—। কথাটো ইয়াত এজনৰপৰা শুনিলোঁ। ইমানখিনি মণি-মুকুতা মানুহজনক নিবেচিবলৈ দিয়াটোও শিৱৰ মূৰ্খামিহে হৈছিল।"

সিংহপুৰত দহদিনমান থকাৰ পাছত দুয়ো পুনৰ ঘৰমুৱা হ'ল। উভতি যাওঁতেও দুয়ো পুনৰ সেই সাধুৰ আশ্ৰমলৈ গ'ল।

পাছদিনা জয়ে মংগলক ক'লে. "ইয়াত এটা মন্দিৰ আছে—মন্দিৰ মানে এচটা ডাঙৰ শিল, তথাপি ৰাইজে শিলচটাকে মন্দিৰ আৰু দেৱতা বুলি তাহানিৰেপৰাই মানি আহিছে—সেই মন্দিৰ তথা দেৱতালৈ মই যোৱাবোৰ যাওঁতে মানস কৰিছিলোঁ। এতিয়া মই তাত পূজা আগ কৰিম। মানস কৰা মতে মই ইয়াৰপৰা খোজ কাঢ়ি যাব লাগিব, আৰু লগত কাকো নোলোৱাকৈ অললশৰে যাব লাগিব।"

কিন্তু জয়খুড়াৰ কথাত মংগলে কিবা যেন অমংগলীয়া সন্দেহৰ গোন্ধ পোৱা হ'ল। সি জয়ে নেদেখাকৈ জয়ৰ পিছে পিছে আলেঙে আলেঙে গৈ থাকিল।

ভালেখিনি বাট যোৱাৰ অন্তত জয় এঠাইত ৰ'ল। ঠাইটুকুৰা জয়াৰ যেন লাগে। জয়ে এচটা বিৰাট শিল গুচাবলৈ ধৰোঁতেই আচম্বিতে আৰ্তনাদ কৰি বাগৰি পৰিল। মংগলে আঁতৰৰপৰা দেখা পালেযে বিচ কিচকৰে ক'ল ফেটি সাপে এটা ফেঁ মেলি শিলচটাৰ আঁৰলৈ গুচি গ'ল।

তেতিয়া জয় যন্ত্ৰণাত অস্থিৰ। এইটো সাপটোৱে জয়ক খুটিলে, সেই কথাত সন্দেহ নাই। জয়ে 'পানী পানী' বুলি কাতৰ আৰ্তনাদ কৰাত মংগলে নিজবাৰ পৰা পানী আনি জয়ক খাবলৈ দিলে।

জয়ৰ তেতিয়া বৰ কষ্ট। সাপৰ বিষে তিমানতে তাক প্ৰায় অচেতন কৰি পেলাইছে। জয়ে বহু কষ্টেৰে মংগলক



ক'লে, "মংগল, মই এটা পাপী। সেই শিল-চটাৰ তলত, গাঁত এটাত যি আছে— তুমি লৈ যোৱা। ম্—ম—ই—মোৰ ছোৱালীজনীৰ কাৰণেহে ইমান ধন— তাইৰ বিয়া—নোৱাৰিলোঁ মই—।" ইমানলৈকে কৈয়েই জয়ে চকু মুদিলে।

মংগলে তাৰ জয়খুড়াৰ হাত দুখন ধৰি শান্ত কণ্ঠেৰে ক'লে, "খুড়াদেউ, মই নিজেই সুপাত্ৰ বিচাৰি জয়াৰ বিয়া দিম। মই আপোনাক কথা দিছোঁ খুড়া।"

তাৰ পাছত—নিৰুপায় মংগল সাধুৰ আশ্ৰমলৈ গ'ল, সাধুক সকলো কথা ভাঙি-পাতি ক'লে, আৰু জয়ৰ পাৰলৌকিক ক্ৰিয়াদিৰো বন্দৱস্ত কৰিলে সাধুৰ সহায়ত। তাৰ পাছত সেই শিলচটাৰ তলত থকা ধন-সোণখিনি গাঁতৰপৰা উলিয়াই আনি মংগলে সাধুক ক'লে, "এই সোণখিনি আপুনি ৰাইজৰ সেৱাৰ কাৰণে ব্যয় কৰক।"

মংগলে জয়ৰ ওচৰত থকা মণি-মুকুতা আৰু ধন-সোণখিনি লৈ প্ৰতিষ্ঠাপুৰলৈ উভতি গ'ল আৰু জয়ৰ পৰিবাৰক আটাইখিনি ধন গটাই দিলে। তাৰ পাছত মংগল শিৱখুড়াৰ ঘৰলৈ গ'ল আৰু তাৰ নিজৰ উপাৰ্জনৰপৰা আধাখিনি শিৱৰ পৰিবাৰক দিলে।

কিছুদিনৰ অন্তত মংগলে জয়াক বিয়া কৰোৱাৰ প্ৰস্তাৱ দিলে। এই প্ৰস্তাৱ পাই জয়ৰ পৰিবাৰে আকাশৰ জোন ঢুকি পোৱা যেন পালে। তাৰ পাছত এদিন মংগলৰ সৈতে জয়াৰ বিয়া মংগলমতেই হৈ গ'ল। বিয়াৰ পাছত বণিজাৰ হিচাপে মংগলে দোপত দোপে উন্নতি কৰিব পাৰিছিল।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক ক'লে, "হে ৰজা, মংগলে সেই শিলচটাৰ তলত পোৱা ধন-সোণখিনি সাধুক দিয়াৰ পৰিৱৰ্তে জয়ৰ পৰিবাৰক দিয়াটো উচিত নাছিলনে? মংগলে নিজৰ আৰ্জনৰ ধনৰ অৰ্ধাংশ শিৱৰ পৰিবাৰক

কিয় দিলে—বুজা নগ'ল। মোক বুজাই কোৱাচোন—কাৰণ কি? মোৰ প্ৰশ্নৰ সঠিক উত্তৰ জনা সত্বেও যদি নিদিয়া, তোমাৰ মূৰৰ ওপৰত এতিয়াও সাত চৰী পানী আছে বুলি জানিবা।"

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্যই ক'লে, "প্ৰথমেই কওঁ, শিৱই আন কোনোবা বণিজাৰক তাৰ মণি-মুকুতাখিনি বেচিবলৈ দিছে—মংগলে এই কথা বিশ্বাস কৰিব পৰা নাছিল। ব্যাঘ্ৰপুৰৰ ৰজাৰ ওচৰত শিৱয়েই যে হীৰা বেচিছিল, সেই কথাত মংগল আছিল নিঃসন্দেহ। শিৱৰ মৃত্যু ৰহস্য অৱশ্যে মংগলেআৱিষ্কাৰ কৰিব পৰা নাছিল; কিন্তু এই মৃত্যু যে অস্বাভাৱিক মৃত্যু সেইটো কথাও সি বুজি পাইছিল। শিলচটাৰ তলত থকা ধন-সোণখিনি শিৱৰো হ'ব পাৰে, জয়ৰো হ'ব পাৰে; আকৌ—এই ধন-সোণখিনিত মংগলৰ দেউতাকৰো ভাগ নাছিল বুলি ন-দি ক'ব নোৱাৰি। এনেবোৰ বাৰ বৈৰীৰ কামোৰৰ মাথা-মুণ্ড বৰ ভালকৈ বুজি নোপোৱা হ'ল মংগলে; কিন্তু এই বিষয়ে মংগলে এজন নিৰপেক্ষ বিচাৰকৰ ভূমিকা ল'লে। শিলচটাৰ তলত পোৱা সেই ধনখিনিৰ প্ৰকৃত গৰাকী কোন—সেই কথা বিচাৰি উলিউৱাটো অসম্ভৱ দেখি দেশৰ ৰাইজৰ মংগলৰ কাৰণে ব্যয় কৰিবলৈ সাধুক অৰ্পণ কৰিলে। মংগলে তাৰ দেউতাকৰ মৃত্যুকালীন ইচ্ছাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি নিজৰ আৰ্জনৰ আধাখিনি শিৱৰ পৰিবাৰক দিয়া হৈছিল। মৃত্যুকালত জয়ক যি কথা দিছিল, তাকো মংগলে সৎভাৱে পালন কৰিছিল জয়ৰ জীয়েক জয়াক বিয়া নিজেই কৰাই। মংগলৰ ন্যায়-নীতি-বোধ আছিল প্ৰখৰ।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

আমাৰ দেশৰ বিচিত্ৰ কথা

গোলকোণ্ডা দুৰ্গ

অন্ধ্ৰপ্ৰদেশৰ বৰ্তমান ৰাজধানী হ'ল হায়দৰাবাদ। প্ৰাচীনকালৰপৰা ১৯৪৭ চনলৈকে হায়দৰাবাদৰ ৰাজধানী আৰু দুৰ্গ আছিল গোলকোণ্ডা। হায়দৰাবাদ চহৰৰপৰা ১০ কিল'মিটাৰ পশ্চিমদিশত ১২ কিল'মিটাৰলৈকে বিয়পা বিতোপন ঠাইত গোলকোণ্ডা দুৰ্গ অৱস্থিত।

১৫১৮ খ্রিষ্টাব্দত তুৰস্কৰ ছুলতান খলি কুতবশ্বাহ-ই গোলকোণ্ডাত ৰাজধানী পতাৰ পৰিকল্পনা কৰিছিল আৰু এই গোলকোণ্ডাক কেন্দ্ৰ কৰি অন্যান্য দেশ আক্ৰমণ কৰাৰ আঁচনি লৈছিল।

গোলকোণ্ডা দুৰ্গৰ প্ৰধান প্ৰবেশদ্বাৰৰ ওচৰত থিয় হৈ হাত-চাপৰি বজালে ৬১ মিটাৰ উচ্চতাত অৱস্থিত বিশেষ ঠাইত সেই হাত-চাপৰি শুনা গৈছিল। স্ফটিক শিলৰ সুনিপুণ ব্যৱহাৰেৰে এই বিস্ময়কৰ বিজ্ঞানমূলক ঘটনা সম্ভৱ হৈছিল।





গোলকোণ্ডা দুৰ্গৰ চাৰিওফালে সৰ্বমুঠ ৮ খন প্ৰবেশদ্বাৰ আছিল; কিন্তু এনেহেন সত্তৰটি বুৰুজ আছিল, য'ৰপৰা শত্ৰুক আক্ৰমণ কৰিব পৰা হৈছিল। এইবোৰ বুৰুজ দুৰ্গৰ দেৱালতকৈ অলপমান ওপৰত অৱস্থিত আছিল।

দুৰ্গৰ এই বুৰুজবিলাকৰপৰা বহুদূৰলৈকে পৰিদৃষ্ট হৈছিল। শত্ৰুৰ পক্ষে গোলকোণ্ডা দুৰ্গলৈ প্ৰবেশ কৰাটো আছিল দুঃসাধ্য। শত্ৰুৰ কাৰণে এই গোলকোণ্ডা দুৰ্গলৈ সোমাব পৰা বাট পথ আছিল সাঁথৰৰ দৰে।





গোলকোণ্ডা দুৰ্গৰ ওচৰে-কাষৰে ভালেমান মছজিদো আছিল। এইবোৰ মছজিদলৈ সোমোৱাটোও আছিল অচিনাকি লোকৰ পক্ষে অতি কঠিন। এইবোৰ মছজিদত মহম্মদৰ বিশেষ শিল্প নৈপুণ্যৰ স্বাক্ষৰ আছিল। মছজিদৰ গাত পদুম পদুমৰ পাতো, খোদিত আছিল।

১৬৮৭ খ্ৰিষ্টাব্দলৈকে ছুলতানৰ এই ৰাজ্য তথা গোলকোণ্ডা অক্ষুণ্ণ আছিল। কিন্তু আচম্বিতে আওৰংজেবে এক বিৰাট সৈন্যবাহিনীৰে সৈতে গোলকোণ্ডা দুৰ্গ আক্ৰমণ কৰিলে।

উভয়পক্ষৰ মাজাত প্ৰচণ্ড যুদ্ধ চলি থাকিল। কিন্তু শেহান্তৰত ছুলতানৰ সৈন্যবাহিনীক আওৰংজেৱে পৰ্যুদস্ত তথা পৰাজিত কৰিলে। গোলকোণ্ডা আওৰংজেৱৰ কৰতলগত হ'ল, প্ৰতিষ্ঠিত হ'ল, গোলকোণ্ডাত মোগল অধিপত্য।

কিন্তু তাৰ পাছত আওৰংজেৱৰো পতন ঘটিল. আৰু লগে লগে গোলকোণ্ডাৰ ওপৰত মোগলৰ অধিকাৰো লুপ্ত হ'ল। গোলকোণ্ডা দুৰ্গত থকা বহুমূল্য হীৰা আৰ মণি-মুকুতাৰ সৰহভাগেই এই দুৰ্গৰপৰা আওৰংজেৱে লৈ গ'ল।



গোলকোণ্ডা দুৰ্গত প্ৰাপ্ত অমূল্য হীৰাৰ মাজত 'মহামোগল' অন্যতম বিখ্যাত হীৰা। বৃটিছ মহাৰাণীৰ সম্পত্তি হিচাপে সুৰক্ষিত বিশ্ববিখ্যাত মহামূল্যৱান 'কোহ-ঈ-নূৰ' [কোহিনূৰ] নামৰ বিৰাট হীৰা এই গোলকোণ্ডা দুৰ্গৰপৰা অপহৰণ কৰি লৈ যোৱা হৈছিল।

অনন্যা

বিদৰ্ভ দেশৰ ৰজা বিজয়বৰ্মাৰ খ্যাতি চাৰিওফালে বিয়পি পৰিছিল। তেওঁ আছিল প্ৰজাবৎসল আৰু সুশাসক।

বিজয়বৰ্মাদেৱৰ একেটি মাত্ৰ পুত্ৰ। পুত্ৰটিৰ নাম অজয়। দেখনে-দৰ্পণে অজয় ৰজাৰ কোঁৱৰ; কিন্তু তাৰ বুদ্ধি আছিল অতি কম। এই কথাত ৰজা দুশ্চিন্তিত।

বিজয়বৰ্মাদেৱে তেওঁৰ মন্ত্ৰীবৰ্গক এই সমস্যাৰ সমাধানৰ কথা সোধাত মন্ত্ৰীবৰ্গই নিজৰ মাজত আলোচনা কৰাৰ অন্তত ৰজাক ক'লে, "মহাৰাজ, ৰাজকোঁৱৰৰ বিবাহৰ বয়স হ'ল, বুদ্ধিমতী বোৱাৰী বিচাৰি আনক, এই সমস্যা নাথাকিব।"

মন্ত্ৰীবৰ্গৰ পৰামৰ্শমতে ৰজা বিজয়-বৰ্মাদেৱে পুত্ৰৰ কাৰণে পাত্ৰী বিচাৰি উলিয়াবলৈ বছা বছা কেইজনমানক ইফালে-সিফালে দিহিঙে-দিপাঙে পঠালে। কিছুদিনৰ অন্তত তেওঁলোক একে একে উভতি আহিল আৰু আৰু আনে নুশুনাকৈ ৰজাক কিবাকিবি ক'লে। আৰু লগে লগে তীৰ্থযাত্ৰীৰ ভেশ ধৰি ৰজা ওলাল। তাৰ পাছত তেওঁ পাত্ৰী থকা ঘৰ পালেগৈ।

পাত্ৰীৰ পিতৃ আছিল সেইখন গাঁৱৰ গাঁওবুঢ়া। পাত্ৰীৰ পিতৃ তেতিয়া ঘৰত নাছিল; তেওঁ কিবা কামৰ বাবে নগৰলৈ গৈছিল। পাত্ৰীৰ নাম অনন্যা। যথাযোগ্য মৰ্য্যাদাৰে অনন্যাই ৰজাক আদৰিলে।

ৰাতি খোৱা-বোৱাৰ পৰতে ৰজাই তেওঁৰ সোঁহাতৰ আঙুলিত থকা হীৰাৰ আঙঠিটো সোলোকাই তাৰ বাঁওহাতৰ আঙুলিত পিন্ধিলে আৰু অনন্যাক ক'লে, "বাঁও যদি সোঁ হ'লহেঁতেন, তেতিয়া

ৰতন ভুঞা

আৰু একো অসুবিধা নাথাকিলহেঁতেন !"

অনন্তাই ছদ্মবেশী ৰজাক বহিবলৈ পীৰা পাৰি দিছিল। পীৰাত বহিবলৈ টান পাইছিল ৰজাই। অনন্তাই ৰজাৰ এই অসুবিধালৈ লক্ষ্য কৰি ৰজাক ক'লে, "বাঁও যদি সোঁ হয়—তেনেহ'লে একো অসুবিধা নহ'ব বুলি কোৱা নাযায়। কিয়নো চৰাই পাখিৰ দৰে কোমল আসনত বহি খোৱা-লোৱা যিজনৰ অভ্যাস, তেওঁৰ পক্ষে পীৰাত বহাটো যথেষ্ট কষ্টকৰ হোৱাৰ কথা। আনকি—সকসুৰা বিপদো হ'ব পাৰে।"

ৰজাই অনন্তাই কথাৰ অন্তৰ্নিহিত অৰ্থ বুজি পাই ক'লে, "তেনেহ'লে—ঠাই পৰিৱৰ্তনৰ কাৰণেহে এয়া হয় বুলি বুলি কোৱানে কি?"

"নিশ্চয়, পিছে—আৰু বহু বহুতো কিবাকিবি হ'ব পাৰে, বা নহ'বো পাৰে আৰু তাৰ কাৰণো বেলেগ হ'ব পাৰে।" অনন্তাই ক'লে।

ৰজাই অনন্তাৰ কথাখিনি ঠিকমতে বুজি নোপোৱা হৈ সুধিলে, "কাৰণ কি হ'ব পাৰে—বুজাই কোৱাচোন, আই?"

"মানুহে এতিয়াও কিংবাদন্তিত অৰ্থাৎ জনশ্ৰুতিত গভীৰ বিশ্বাস ক'ৰে।"

"ঠিক।" ৰজায়ো হয় দিলে।

"আকৌ—বহু মানুহে তৰ্কৰ যোগেদি কিংবদন্তিৰ সত্যাসত্য নিৰ্ধাৰণ কৰিবলৈ চেষ্টা কৰে, আৰু তাৰ ফলত—কেতিয়াবা কেতিয়াবা তেওঁলোক সত্যৰ প্ৰতি আস্থাহীন হৈ পৰে, কেতিয়াবা সত্যক মিথ্যাৰে ঢাকি দিয়া হয়।" ক'লে অনন্তাই।

সাধাৰণ পৰিয়াল এখনত জন্ম লৈয়ো অনন্তাৰ অনন্য জ্ঞানৰ পৰিচয় পাই আৰু তেওঁৰ নিজৰ পুত্ৰৰ মূৰ্খতাৰ কথা ভাবি ৰজা অনন্তাৰ প্ৰতি ঈৰ্ষান্বিত হৈ পৰিল।

ৰজাক খাবলৈ দিয়া ভাতৰ ওপৰত ঘিউ দিওঁতে ৰজাৰ মুখভাৰৰ পৰিৱৰ্তনলৈ লক্ষ্য কৰি অনন্তাই ক'লে, "মানৱসমাজৰ

আধাখিনি মানুহৰ মনত দুখ-বেদনাৰ মূল কাৰণ বিচাৰি উলিয়াব পৰা হ'লে সমগ্ৰ মানৱসমাজ সুখে-সন্তোষৰে থাকিব পাৰিব; কাৰণ নজনা বাবেহে মানুহে সুখৰ মুখ আধাখিনিয়েই দেখা নোপোৱা হয়।"

অনন্যাৰ এই কথাতে কিবা গুঢ়ত্বত আছে নে কি তাৰ খবৰ ল'বলৈ ৰজাই সুধিলে, "মানুহৰ কিয় ইমান দুখ-বেদনা— তুমি ক'ব পাৰিবানে, আই?"

"মানৱসমাজৰ আধাখিনি মানুহৰ দুখ-বেদনাৰ কাৰণ হ'ল ঈৰ্ষা। নিজৰ নথকাখিনি আনৰ মাজত দেখিলেই মানুহে ঈৰ্ষাবোধ কৰে আৰু এই ঈৰ্ষায়েই এক গুপ্ত ব্যাধিৰ দৰে মানুহক দহন কৰে।" অনন্যাই ক'লে।

তাৰ পাছত ৰজাই হাত-মুখ ধুবলৈ বাহিৰ ওলাল আৰু ক'লে, "ইয়াত-এন্ধাৰ বৰ ডাঠ। এই ঠাইত ইমান ডাঠ এন্ধাৰৰ কাৰণ কি, আই?"

অনন্যাই ৰজাৰ হাতত পানী ঢালি থাকোঁতে ক'লে, "এন্ধাৰ যিমানেই ডাঠ হওক, মিছাকথাতকৈ অধিক ক'লা নহয়।"

অনন্যাৰ কথাত অবাক ৰজাই একো উত্তৰ দিব নোৱাৰি মনে মনে থাকিল।

অনন্যাই ৰজাক ক'লে, "মোক ক্ষমা কৰক, মহাৰাজ! মই সৰু হৈয়ো আপোনাক ক'ব নোপোৱা কথা কিছুমান কৈ পেলালোঁ।"

তীৰ্থযাত্ৰীৰ বেশত থকা সত্বেও অনন্যাই যে কেনেকৈ বুজি পালে তেওঁ ৰজা, সেই কথা তেওঁ নুবুধি নোৱাৰিলে।

অনন্যাই ক'লে, "মহাৰাজ, আপুনি কাশীলৈ ওলোৱা তীৰ্থযাত্ৰী বুলি নিজৰ চিনাকি দিছিল। কিন্তু দূৰৰ বাট, অথচ আপোনাৰ লগ-সংগী কোনো নথকা দেখি আপুনি প্ৰকৃততে তীৰ্থযাত্ৰী নহয় বুলি মোৰ সন্দেহ হৈছিল।"

"কিন্তু মোক ৰজা বুলি ভাবিলা কেনেকৈ?" বিজয়বৰ্মাদেৱে প্ৰশ্ন কৰিলে।

"আপুনি পীৰাত বহোঁতে বুজি পাইছিলোঁ যে পীৰাত বহি খোৱাৰ অভ্যাস আপোনাৰ নাই। আপুনি আপোনাৰ সোঁহাতৰ আঙুলিত থকা আঙঠিটো বাঁওঁ হাতৰ আঙুলিত পিন্ধোতে আঙঠিটোত থকা অত্যন্ত মূল্যৱান হীৰায়ো মোক কৈ দিছিল যে এনে মূল্যৱান হীৰা আনকি সকলো ধনী মানুহেও পিন্ধিব নোৱাৰে।" অনন্যাই ক'লে।

বিজয়বৰ্মাদেৱে হাঁহি মাৰি ক'লে, "ব'লা কেলেই? আৰু কি ক'বলগা আছে কোৱা। শুনিবৰ মন গৈছে।"

"মহাৰাজ আপোনাক কেনেকৈ 'মহাৰাজ' বুলি চিনি পালোঁ, সেই কথা জনাৰ কৌতূহল আপোনাৰ নিশ্চয় আছে। মই দেশৰ মানুহৰ মাজত আধাভাগ মানুহৰ মনত থকা ঈৰ্ষাৰ কথা কৈ থাকোঁতে আপোনাৰ চকু-মুখত এই কথাটি শুনাৰ আগ্ৰহ দাৰুণভাৱে ফুটি ওলাইছিল। প্ৰজামংগলকামী ৰজা এগৰাকীৰ মাজতহে এনে আগ্ৰহ থকা সম্ভৱ।" অনন্যাই ৰজাক ক'লে।

অনন্যাৰ অনন্য কথাত মহাৰাজ বিজয়-বৰ্মাদেৱ মুগ্ধ হ'ল আৰু তাইৰ দেউতাক নগৰৰপৰা ঘূৰি অহালৈ তাতে ৰৈ থাকিল।

তাৰ পাছত এদিন ৰজাই অনন্যাক আঙঠি পিন্ধাই সানন্দে আদৰি লৈছিল।

উত্তৰ-ৰামায়ণ

৭

কাৰ্ত্তবীৰ্য্যাৰ্জুনৰ ওচৰত পৰাজিত হৈ ৰাৱণ বন্দী হৈছিল ; কিন্তু তাৰে ৰাৱণৰ গৰ্ব খৰ্ব নহ'ল। তাৰ পাছতো কিষ্কিন্ধ্যালৈ গৈ ৰাৱণে বালীকো যুদ্ধলৈ আহ্বান জনালে।

বালীৰ মহামন্ত্ৰীয়ে ৰাৱণক ক'লে, "শুনা, ৰাৱণ, বালী কিষ্কিন্ধ্যাত নাই। আৰু অন্যান্য বান্দৰ নিশ্চয় তোমাৰ বিৰুদ্ধে যুদ্ধৰ যোগ্য নহয়। বালী সান্ধ্য-বন্দনাৰ বাবে চাৰিও সমুদ্ৰৰ তীৰলৈ গ'ল। সৌ যে হাড়বোৰ পৰি থকা দেখা পাইছা, তুমিও যদি তাতে হাড় এড়াল হৈ থাকিবা বুলি ভাৰিছা, বালী উভতি নহালৈকে ৰৈ থাকা। আৰু যদি তোমাৰ খৰখেদা আছে, তেনেহ'লে তুমি দক্ষিণ সমুদ্ৰৰ তীৰলৈ গ'লেই বালীৰ হাতত মৰিব পাৰিবা।"

বালীৰ মন্ত্ৰীৰ কথাত ভয়ংকৰ ক্ৰুদ্ধ হৈ ৰাৱণে বালীৰ মন্ত্ৰীক অকথ্য-অশ্ৰাব্য ভাষাৰে গালি পাৰি, পুষ্পক ৰথত উঠি দক্ষিণ সমুদ্ৰৰ তীৰলৈ গ'ল। গৈ—তাত বালীক দেখা পাই ৰাৱণ অবাক হ'ল। বালী—যেনিবা এটা মেৰুপৰ্বতহে !

ৰাৱণে বালীৰপৰা অলপ আঁতৰত পুষ্পকৰথৰপৰা নিঃশব্দে নামিল আৰু ততোধিক নিঃশব্দে পিছফালৰপৰা বালীক গবা মাৰি ধৰাৰ মনেৰে ভৰি মাৰি মাৰি গৈ থাকিল। কিন্তু হঠাৎ পিছফাললৈ

'ভৱিষ্যতৰ ব্ৰহ্মা'

চাই বালীয়ে ৰাৱণক দেখা পালে ; কিন্তু দেখা পায়ো বালীয়ে ৰাৱণক নেদেখাৰ ভাও জুৰিলে, বিচলিত নহ'ল। ৰাৱণ যেতিয়া বালীৰ নিচেই ওচৰ চাপিল, তেতিয়া, বালীয়ে ৰাৱণক থাপ মাৰি ধৰি আকাশলৈ দলি মাৰি পঠালে।

এটা দলিৰ দৰে তললৈ পৰাৰ লগে লগে বালীয়ে ৰাৱণক কাষলতিৰ তলত চেপি ধৰিয়েই পশ্চিম সমুদ্ৰত স্নান কৰিলেগৈ আৰু তেনেকৈ ৰাৱণক কাষলতিৰ তলতে লৈয়েই সান্ধ্য অৰ্চনাৰ অন্তত উত্তৰ সমুদ্ৰৰ স্নান সমাপন কৰি পূব সমুদ্ৰলৈ স্নান কৰিবলৈ গ'ল আৰু আৰু সমুদ্ৰৰ স্নানাদিৰ অন্তত পূজাৰ্চনা সামৰি কিষ্কিন্ধ্যালৈ উভতি গ'ল। ৰাৱণ তেতিয়াও বালীৰ কাষলতিৰ তলতে চেপাখোৰাটো হৈ আছিল।

কিষ্কিন্ধ্যাৰ উদ্যানত ৰাৱণক কাষলতিৰ পৰা তললৈ পেলাই বালীয়ে সুধিলে, "কিহে ৰাৱণ, তুমি ওলাইছিলাহিনো ক'ৰপৰা? যোৱা ক'লৈ?"

ৰাৱণে এই কথাৰ উত্তৰত হাতযোৰ কৰি ক্ষমা প্ৰাৰ্থনা কৰি বালীক ক'লে, "তোমাৰ নিচিনা শক্তিশালী আৰু গতিৱান ত্ৰিজগতত আন কোনো নাই। মোক কাষলতিৰ তলত চেপি লৈ চাৰিও সমুদ্ৰৰ স্নান সমাপন—কেৱল তোমাৰ পক্ষেহে সম্ভৱ। তোমাৰ শক্তিৰ তুলনা নাই। মই তোমাৰ বন্ধুত্ব কামনা কৰোঁ, অগ্নি



সাক্ষী কৰি মই তোমাৰ সৈতে বন্ধুত্বৰ বন্ধনেৰে আবদ্ধ হ'বলৈ বিচাৰোঁ।"

তাৰ পাছত ৰাৱণ আৰু বালী অগ্নি-সাক্ষী কৰি বন্ধুত্ব বন্ধনেৰে আবদ্ধ হ'ল। ৰাৱণে বালীৰ সৈতে ভাতৃ-সম্পৰ্ক স্থাপন কৰিলে আৰু তাৰ পাছতবালীৰ ওচৰত এমাহমান যাপিলে। তাৰ পাছত ৰাৱণৰ মন্ত্ৰীহঁতে ৰাৱণক লংকাপুৰীলৈ লৈ গ'ল।

অগস্ত্যমুনিয়ে শ্ৰীৰামচন্দ্ৰক এইবোৰ কথা কোৱাৰ অন্তত পুনৰ ক'লে, "হে ৰামচন্দ্ৰ, ৰাৱণহেন বিক্ৰমশালী অতুল-শক্তিমন্তক কাষলতিৰ তলত চেপি ধৰি চাৰি সমুদ্ৰৰ পানী ঢোকে ঢোকে খুৱাই অৱলীলাক্ৰমে স্নানাৰ্চ্চনা সমাপনৰপৰাই মহাবলী বালীৰ ক্ষমতা আৰু শক্তিৰ উমান ল'ব পাৰি। কিন্তু এই মহাবলী বালীকো তুমি মাত্ৰ তোমাৰ এপাট কাঁড়েৰে হেলাৰঙে বধিব পাৰা।"

অগস্ত্যমুনিৰ কথাৰ উত্তৰত শ্ৰীৰাম-চন্দ্ৰই ক'লে, "হে মহৰ্ষি! বালী, আৰু ৰাৱণো যে মহাশক্তিমান, সেই কথা অন-স্বীকাৰ্য্য। কিন্তু মোৰ বিচাৰত—এই দুজন মহাশক্তিমানতকৈয়ো শক্তিমান হ'ল হনুমান। হনুমানে কেৱল শতযোজন সমুদ্ৰ পাৰ হোৱা নাছিল, সমুদ্ৰ পাৰ হৈ লংকাপুৰীলৈ গৈ হেলাৰঙে ৰাৱণৰ প্ৰাসাদত তথা ৰাৱণৰ সেই ৰাজসভাতো সোমাইছিলগৈ। তদুপৰি, হনুমন্তই অকলেই অসংখ্য ৰাক্ষসক মাখি মৰাদি মাৰিছিল লংকাপুৰীত জুই লগাইছিল। তাৰ ফলত, হনুমন্তৰ বীৰত্বৰ কাহিনী তিনিও লোকতে বিয়পি পৰিছিলি। কিন্তু এনেহেন অতুল ক্ষমতাৰ অধিকাৰী হনুমন্তই বালীক কিয় নবধিলে? সুগ্ৰীৱে যেতিয়া জীয়াতু ভুগি আছিল, তেতিয়াও হনুমন্তই একো নকৰাকৈ নিষ্ক্ৰিয়-নীৰৱ হৈ আছিল কিয়?"

শ্ৰীৰামচন্দ্ৰৰ প্ৰশ্নৰ উত্তৰ মহৰ্ষি অগস্ত্যই ক'লে, "হে ৰামচন্দ্ৰ! হনুমান সম্পৰ্কে তোমাৰ উক্তিসমূহ সম্পূৰ্ণ সত্য।

হনুমানৰ নাম শক্তিমন্ত-বুদ্ধিমন্ত ত্ৰিভুৱনতো বিচাৰি পাবলৈ নাই। নিচেই সৰুৰেপৰাই হনুমানে বহুতো আচৰিত-আসৰিশ ঘটনা ঘটাই আহিছে। এইবোৰ ঘটনাৰ কথা নিজৰেই চাগৈ মনত নাই। অতি সৰুটি হৈ থাকোঁতেই ঋষি-মুনিসকলে হনুমন্তলৈ অভিশাপ দিছিল। সেই বিচিত্ৰ কওঁ শুনা।" এই বুলি কৈ, মহামুনি অগস্ত্যই হনুমানৰ বিচিত্ৰ কাহিনী ক'বলৈ ধৰিলে:

হনুমন্তৰ পিতৃ আছিল কেশৰী। কেশৰী আছিল মেৰুপৰ্বতৰ ৰজা। কেশৰীৰ পত্নী অঞ্জনাই বায়ুদেৱতাৰ প্ৰভাৱত হনুমানক গৰ্ভত ধাৰণ কৰিছিল। কেচুৱা হনুমন্তই টোপনি যোৱাত, হনুমন্তক থৈ, অঞ্জনা গ'ল ফল বুটলিবলৈ। অঞ্জনা ফল বুটলিবলৈ যোৱাৰ অলপ পাছত ভোকৰ পোৰণিত হনুমন্তই টোপনিৰপৰা সাৰ পাই গ'ল। ঠিক তেতিয়াই পূৰ্ব পৰ্বতত ৰক্তিম সূৰ্য্য ওলাব ধৰিছিল। সূৰ্য্যক ফল বুলি ভাবি, সেই ফল ধৰি খোৱাৰ মনেৰে হনুমন্তই আকাশলৈ উৰা মাৰিলে। সূৰ্য্যলৈ ধাৰমান আন এটি সূৰ্য্যৰ দৰে সমুজ্জ্বল হনুমন্তক উড়ন্ত অৱস্থাত দেখা পাই দেৱতা, দানৱ আৰু যক্ষসকলো উদ্বিগ্ন হৈ উঠিল।

সূৰ্য্যলৈ প্ৰচণ্ডবেগেৰে গৈ থকা হনুমানক বাধা দিয়াৰ মনেৰে বায়ুদেৱতাই হনুমানৰ ওপৰত বৰফ-বৃষ্টি কৰি থাকিল। তত্‌পৰি, হনুমান যেতিয়া সূৰ্য্যৰ কাষ চাপোঁ চাপোঁ হ'ল, তেতিয়া ৰাহু সূৰ্য্যলৈ ধাৰমান হৈছিল। হনুমানে ধাৰমান ৰাহুক দেখা দেখা পাই সূৰ্য্যক ধৰি খোৱাৰ পৰিৱৰ্তে ৰাহুক ধৰি গিলি খাবলৈ ৰাহুলৈ গতি কৰি থাকিল। প্ৰচণ্ড গতিৰে খেদি অহা হনুমানক দেখা পাই ৰাহু মৰোঁ-জীওঁকৈ ইন্দ্ৰৰ ওচৰলৈ গ'ল আৰু ইন্দ্ৰক ক'লে, "হে ইন্দ্ৰ, এয়া বৰ অন্যায় কাৰ্য্য হৈছে। পৰ্বকালত অন্ত পৰাত মই যেতিয়া সূৰ্য্যক গিলি খাবলৈ গৈ আছিলোঁ, তেতিয়া

ইপিনে ইন্দ্ৰৰ ঐৰাৱতক দেখি হনুমন্তই সেইটোকো এটা সোৱাদ ফল বুলি ভাবি ধৰি খাবলৈ চেষ্টা দিয়াৰ লগে লগেই ইন্দ্ৰই হনুমন্তক বজ্ৰায়ুধেৰে মূৰত মাৰিলে আৰু হনুমন্ত এটা পৰ্বতৰ ওপৰত বাগৰি পৰিল। আৰু তাৰ ফলত হনুমানৰ বাঁও গালত বেয়াকৈ আঘাত লাগিল।

নিজ সন্তানক এইদৰে বেয়াকৈ আহত হোৱা দেখি বায়ু দেৱতাই সমগ্ৰ লোকত তেওঁৰ প্ৰবাহ কৰি পুত্ৰক কোলাত লৈ পৰ্বতৰ গুহাৰ ভিতৰত সোমাই থাকিল। সমগ্ৰ লোকৰ [জগতৰ] সকলো প্ৰাণীয়েই বায়ু অভাৱত ছাটিফুটি কৰি থাকিল। অৱশেষত দেৱতা আৰু গন্ধৰ্বসকল ব্ৰহ্মাৰ

তুমি আন এটা ৰাহুকো সূৰ্য্যলৈ পঠালা। আৰু তুমি এনেহেন ৰাহু এটাক পঠালা— সূৰ্য্যক গিলি খোৱাৰ আগতেই আনকি মোক গিলি খাবলৈ আগুৱাই আহিছিল।

ৰাহুৰপৰা এই কথা শুনাৰ মুহূৰ্তত ঐৰাৱতৰ পিঠিত উঠি ইন্দ্ৰ সূৰ্য্যৰ ওচৰলৈ গ'ল। তেতিয়া হনুমন্তও তাতে আছিল। তাত ৰাহুক দেখা পায়েই হনুমন্তই তাক ধৰিবলৈ চোঁচা লোৱাত ৰাহুৱে ভীষণ ভয় খাই আৰ্তনাদ কৰি কৈ উঠিল "হে ইন্দ্ৰ! ৰক্ষা কৰাঁ, ৰক্ষা কৰাঁ!"

ইন্দ্ৰই ৰাহুক অভয় প্ৰদান কৰি ক'লে, "ৰাহু, তুমি ভীত নহ'বা, মই তাক এতিয়াই নিধন কৰিম।"



ওচৰলৈ লৰৰি গ'ল আৰু করুণ আবেদন জনালে। স্বয়ং ব্ৰহ্মা বায়ুদেৱতাৰ ওচৰলৈ গ'ল ব্ৰহ্মাই হনুমন্তৰ মস্তকত হাত ফুৰোৱাৰ লগে লগে হনুমন্ত সম্পূর্ণ সুস্থ হৈ উঠিল আৰু বায়ুদেৱতাই আগৰ দৰেই সমগ্ৰ লোকলৈ প্ৰবাহিত হৈ থাকিল।

বায়ুদেৱতাক অধিক আনন্দিত কৰাৰ বাবে হনুমন্তক আশীৰ্বাদ কৰিবলৈ সকলো দেৱতাক নিৰ্দেশ দিলে। বজ্ৰায়ুধৰ আঘাতেৰে বাঁও গালখনৰ হনু ওলাই পৰাত হনুমন্তৰ নাম হ'ল হনুমান। ভৱিষ্যতত যাতে বজ্ৰায়ুধৰ আঘাতপ্ৰাপ্ত নহয়, তাৰবাবে ইন্দ্ৰই হনুমন্তক বৰ দান কৰিলে। স্বয়ং সূৰ্য্যই তেওঁৰ তেজৰ একশতাংশ হনুমন্তক দিলে! সূৰ্য্যই হনুমন্তক মহাপণ্ডিত হোৱাৰ বৰো দিলে। পানীয়ে যাতে একো অনিষ্ট নকৰে, তাৰ বাবে বৰুণদেৱতাই হনুমন্তক বৰ দিলে। কুবেৰে 'হনুমন্তক কোনেও টাঙোনেৰে আহত কৰিব নোৱৰাৰ বাবে বৰদান কৰিলে। শিৱয়ো হনুমন্তক বিপদবিহীন হোৱাৰ বৰ দিয়া হ'ল স্বয়ং ব্ৰহ্মা আৰু বিশ্বকৰ্মায়ো হনুমন্তক তেনেকুৱা বৰ দিলে। তাৰফলত হনুমন্ত কেতিয়াও কোনো যুদ্ধতে পৰাস্ত নহ'ব।

তাৰ পাছৰপৰা হনুমন্তই সকলোতে নিৰ্ভয়ে ঘূৰি ফুৰিবলৈ ধৰিলে। ক্ৰমে হনুমন্ত অংহকাৰী হৈ উঠিল আৰু কেতিয়াবা কেতিয়াবা মুনি-ঋষিসকলক অত্যাচাৰো কৰি থাকিল। হনুমন্তই মুনি-ঋষিসকলৰ যজ্ঞাগ্নিও ধ্বংস কৰিছিল। তাৰ ফলত তেওঁলোক হনুমন্তৰ ওপৰত বিতুষ্ট হ'ল।

কেশৰী আৰু বায়ুদেৱতাই বাৰে বাৰে নিষেধ কৰা সত্বেও হনুমন্তই এনেবোৰ অত্যাচাৰ চলায়েই থাকিল। বহু কাল ধৰি এইবোৰ অত্যাচাৰ সহ্য কৰাৰ অন্তত মহৰ্ষিবৃন্দই ক্ৰুদ্ধ হৈ হনুমানক ক'লে, "তুমি বৰ পাই শক্তিমন্ত হোৱাতহে এইবোৰত ধৰিছা, ইমান দস্তালি কৰিছা। আন কোনোবাই তোমাক উচিত শিক্ষা

এই বুলি কোৰাৰ অন্তত ঋষিগণে হনুমন্তক অভিশাপ দি ক'লে, "হে হনুমন্ত, তোমাৰ শক্তিৰ কথা তোমাৰ কদাপি মনত নপৰা হওক।"

তাৰ পাছতহে হনুমানৰ মাজত বিৰাট পৰিৱৰ্তন হ'ল। হনুমান কিছুকাল আশ্ৰমতে অতিবাহিত কৰিলে। তেতিয়া বালী সুগ্ৰীৱৰ পিতৃ ঋক্ষৰজস বান্দহঁৰতৰ ৰজা হৈ থাকোঁতে স্বৰ্গী হ'ল। ঋক্ষৰজসৰ মৃত্যুৰ অন্তত বান্দৰহঁতে বালীক ৰজা পাতি সুগ্ৰীৱক যুৱৰাজ হিচাপে অভিষিক্ত কৰিলে। সুগ্ৰীৱ আছিল হনুমানৰ বন্ধু। সৰুৰেপৰাই দুয়োৰো মাজত গভীৰ বন্ধুত্ব আছিল। বালী ৰজা হোৱাৰ পাছত সুগ্ৰীৱৰ সৈতে বালীৰ বিৰোধৰ সৃষ্টি হ'ল। বালীৰ বিৰুদ্ধে সুগ্ৰীৱে ৰণ দিবলৈ ধৰিলে; কিন্তু পৰম বন্ধু হোৱা সত্বেও হনুমানে এই যুদ্ধত সুগ্ৰীৱক সহায় কৰিব নোৱাৰিলে। কিয়নো, ঋষিসকলৰ অভিশাপৰ ফলত হনুমানে তেওঁৰ নিজৰ শক্তিৰ কথা পাহৰি আছিল।

এই কাহিনী কোৱাৰ অন্তত অগস্ত্যই শ্ৰীৰামচন্দ্ৰক পুনৰ ক'লে, "হে ৰামচন্দ্ৰ! হনুমন্তৰ শক্তিৰ আন এটি উদাহৰণ কওঁ শুনা। হনুমানে ব্যাকৰণ শিক্ষা কৰিবলৈ মন মেলি সূৰ্য্যৰ কাষ চাপিল। ব্যাকৰণ শিক্ষাৰ ভাবে হনুমানে সূৰ্য্যৰ লগে লগে উদয়গিৰিৰপৰা অস্তগিৰিলৈ প্ৰতিদিন ঘূৰি ফুৰিছিল। এই কথা নিঃসন্দেহে জানিবা, কোনো প্ৰকাৰৰ বিদ্যাত হনুমানৰ সমকক্ষ জ্ঞানী ত্ৰিজগতত কোনো নোলাব। হনুমন্তয়েই হ'ল ভৱিষ্যতৰ ব্ৰহ্মা।"

হনুমন্তৰ বিষয়ে ইমানখিনিলৈকে শুনাৰ অন্তত শ্ৰীৰামচন্দ্ৰই মহৰ্ষি অগস্ত্যক ক'লে, "হে মুনিবৰ! বালী আৰু সুগ্ৰীৱৰ পিতাদেউ ঋক্ষৰজসবা কোন আছিল? বালী আৰু সুগ্ৰীৱৰ মাতৃ কোন আছিল? মই এওঁলোকৰ সম্বন্ধে শুনিবলৈ আগ্ৰহী।"



মাৰদেৱ

মালয়দেশৰ মাৰদেৱ আছিল এজন ঐন্দ্ৰজালিক, অৰ্থাৎ ভেলেকীবিদ্যা জনা মানুহ। মাৰদেৱে কত যে ৰকম-বিৰকম ভেলেকী, মন্ত্ৰ-তন্ত্ৰ নাজানিছিল। কিন্তু ইমান জনা সত্বেও সেই বিদ্যাৰে সি ধন আৰ্জিবলৈ কদাপি চেষ্টা কৰা নাছিল।

লব নামৰ মাৰদেৱৰ এটি ল'ৰা আছিল। মাৰদেৱে লবক সকলো প্ৰকাৰৰ ভেলেকী বিদ্যা শিকাইছিল।

তাৰ পাছত এদিন মাৰদেৱে লবক ক'লে "মই তোমাক যিখিনি শিকলোঁ এদিন ৰজাক দেখুৱাই আহাঁগৈ।"

তাৰ পাছত এক নিৰ্দিষ্ট দিনত লবে ৰজাক তাৰ ভেলেকী বিদ্যাৰ জনাখিনি দেখুৱাৰ পাছত পূৰ্ব-পৰিকল্পনাৰ অনুসাৰে ৰজাৰ মন্ত্ৰীবৰ্গই লবক তাৰ খোৱাবস্তুৰ লগত বিষ প্ৰয়োগ কৰি মাৰি পেলালে। আৰু মাৰি—উপজিপুৰাতে কোনেও নেদেখা-নজনাকৈ মাটিত পুতি পেলালে।

কিন্তু তথাপি লবৰ মৃত্যুৰ কথা গুপ্ত হৈ নাথাকিল। বিজুলী গতিৰে লবৰ মৃত্যুৰ বাতৰি বিয়পি পৰিল। আৰু অৱশেষত পুত্ৰৰ মৃত্যুৰ বাতৰি মাৰদেৱৰ কাণতো পৰিলগৈ। ছদ্মবেশত ওলাই মাৰদেৱে অনুসন্ধান কৰি জানিব পাৰিলে যে, ৰজাৰ মন্ত্ৰীবৰ্গইহে তাৰ ল'ৰাটোক বিষ খুৱাই হত্যা কৰিলে।

আৰু তাক সোধাত বহুতেই মাৰদেৱক ক'লে যে লব নামৰ জাদুকৰ এজনে ৰজাক তথা ৰাজসভাত জাদু প্ৰদৰ্শন কৰিছিল; কিন্তু জাদু প্ৰদৰ্শন কৰাৰ পাছত ল'ব যে কোনফালেদি গুচি গ'ল—

কোনেও দেখা নাই।

লবে যে ৰজাৰ কোনো অনিষ্ট কৰা নাছিল, সেই বিষয়ে মাৰদেৱ নিঃসন্দেহ। কিন্তু—কোনো অপৰাধ নকৰা সত্বেও ৰজাই তাৰ পুত্ৰ **লবক** মাৰি পেলোৱাত মাৰদেৱৰ মনত ভয়ংকৰ প্ৰতিশোধ-স্পৃহা তথা তাৰ তেজ তপত হৈ উঠিল।

লবৰ হত্যাকাৰী তোৰণদেশৰ ৰজাৰো একেটি মাত্ৰ পুত্ৰ আছিল। ৰাজকোঁৱৰৰ জন্মগ্ৰহণ কৰাৰ কেইদিনমানৰ পাছত ৰজাৰ জ্যোতিষীসকলে ৰজাক গণনা কৰি কৈছিল যে ৰাজকোঁৱৰৰ যেতিয়া দুবছৰীয়া হ'ব, তেতিয়া তেওঁক অপহৰণ কৰা হ'ব। এজন ঐন্দ্ৰজালিকে ৰাজকোঁৱৰক অপহৰণ কৰিব বুলি ৰজাক কোৱা হৈছিল। লব যেতিয়া ইন্দ্ৰজালবিদ্যা প্ৰদৰ্শনৰ বাবে আহিছিল, তেতিয়া ৰাজকোঁৱৰৰ আছিল প্ৰায় দুবছৰীয়া। সেইদেখি ৰজাই লবক বিনাদোষে হত্যা কৰিছিল।

মাৰদেৱ তোৰণদেশলৈ গ'ল। তোৰণদেশৰ ৰজাৰ অন্তঃপুৰৰ লগুৱা লিগিৰী-ইতক ধনেৰে প্ৰলুব্ধ কৰি, সেও মনাই, ক্ৰুদ্ধ মাৰদেৱে তোৰণদেশৰ ৰাজকোঁৱৰ তৌসস্বিক লৈ পলাই গ'ল। তেতিয়া ৰাজকোঁৱৰৰ তৌসস্বিৰ বয়স মাত্ৰ দুবছৰ। মাৰদেৱে ৰাজকোঁৱৰৰ তৌসস্বিৰ পিন্ধনৰ কাপোৰ-কানিখিনি সোলোকাই লৈ যত্নেৰে বাকচ এটাত ভৰাই থৈ দিলে।

ৰাজকোঁৱৰ তৌসস্বিক হেৰুৱাই তোৰণদেশৰ ৰজা বলিয়াহেন হৈ উঠিল। জ্যোতিষীসকলে কোৱাত ৰজাই ৰাজকোঁৱৰৰ সুৰক্ষা তথা নিৰাপত্তাৰ বাবে সকলোবিধ সতৰ্কতা অৱলম্বন কৰিছিল; কিন্তু তথাপি এনে দুৰ্দৈৱ ঘটিল!

ৰজাই দিনে-নিশাই বিলাপ কৰি থকাত মন্ত্ৰীবৰ্গই তেওঁক সান্ত্বনা দি ক'লে, "মহাৰাজ, ৰাজ-জ্যোতিষীসকলৰ কথা আখৰে আখৰে সত্য হ'ল। এইদৰে যে ইমান ভয়ানক ঘটনাটো ঘটিব—আনকি



জ্যোতিষীসকলেও কল্পনা কৰিব পৰা নাছিল। আমাৰ ধাৰণা হৈছে যে—ৰাজকোঁৱৰক লবৰ দেউতাকে বা তাৰ কোনোবা ঘনিষ্ঠ আত্মীয়-স্বজনে অপহৰণ কৰিলে। ইমান ডাঙৰ পাপ কেতিয়াও প্ৰকাশিত নহৈ নাথাকে, আজি হওক কালিলৈ হওক প্ৰকাশ পাবহি।

ৰাজকোঁৱৰ তৌসম্বি যেতিয়া যোল বছৰীয়া হ'ল, তেতিয়া মাৰদেৱৰ মনত প্ৰতিশোধৰ ইচ্ছা অদমনীয় হৈ পৰিল মাৰদেৱে ৰাজকোঁৱৰ তৌসম্বিক লগত লৈ তোৰণদেশলৈ গ'ল। তাত ধৰমশালাত থকাৰ বন্দৰস্ত কৰি মাৰদেৱে ৰাজকোঁৱৰক ক'লে. "বোপা, এই বাকচটো লগত লৈ ৰজাৰ ওচৰলৈ যোৱা। ৰজাই তোমাৰ ককাইদেউ লবক যেনেকৈ উপহাৰ তাৰ প্ৰতিদানস্বৰূপে তুমি দিছিল ৰজাক এই বাকচটি উপহাৰ দিয়াগৈ।"

তৌসাম্বি যে ৰাজকোঁৱৰ আছিল, সেই কথা সি সমূলি নাজানিছিল। তৌসাম্বিয়ে মাৰদেৱক ক'লে, "দেউতা, মোৰ এজন ককাইদেউ আছিল—এই কথাটো আগতে কিন্তু মোক কেনোদিনে কোৱা নাছিলা।"

"বোপা, মই বি কামট এতিয়া কৰিবলৈ ক'লোঁ তোমাক, সেইটি কাম কৰাঁ। পাছত তোমাৰ ককাইদেউৰাৰ কথা বুজাই ক'ম।" মাৰদেৱে ক'লে।

তাৰ পাছত, মাৰদেৱৰ নিৰ্দেশ মতে ৰাজকোঁৱৰ তৌসাম্বি সেই বাকচটোৰে সৈতে তোৰণদেশৰ ৰজাৰ ওচৰলৈ গ'ল আৰু ৰজাক যথাবিহিত অভিবাদন কৰি ক'লে, "মহাৰাজ! মই মাৰদেৱ নামৰ এগৰাকী ঐন্দ্ৰজালিকৰ পুত্ৰ। বহু বছৰৰ আগতে মোৰ ককাইদেউ আপোনাৰ ইয়ালৈ আহিছিল আপোনাক জাতুবিদ্যা প্ৰদৰ্শন কৰিবলৈ। সেই জাতুখেলা চাই, মুগ্ধ হৈ, আপুনি মোৰ ককাইদেউক যি উপহাৰ দিছিল, তাৰ প্ৰত্যুপহাৰ

স্বৰূপে মই এই বাকচটো আপোনাক দিছোঁ। আপুনি অনুগ্ৰহ কৰি গ্ৰহণ কৰক।” এই বুলি কৈ, এখন্তেক ৰৈ, তৌসাম্বিয়ে পুনৰ ক'লে, “মহাৰাজ, মোৰ ককাইদেউক আপুনি উপহাৰ দিয়াত ভাল পাই, দেউতাই আপোনালৈ এই উপহাৰ পঠাইছে।”

ৰজাই সানন্দে বাকচটো গ্ৰহণ কৰিলে আৰু লগে লগে বাকচৰ ঢাকনি খুলি তেওঁৰ দুবছৰীয়া পুত্ৰৰ সাজ-পাৰখিনি আৰু দুটামান পুতলা বাকচত দেখা পালে।

ৰজাই তৎমুহূৰ্তে খাপৰপৰা তৰোৱাল উলিয়াই তৌসাম্বিক দুছোৱা কৰিবলৈ ধৰোঁতেই মহামন্ত্ৰীয়ে ৰজাক বাধা দিলে আৰু ক'লে, “মহাৰাজ, অনুগ্ৰহ কৰি খৰখেদাকৈ একো নকৰিব। বাকচটোত থকা সাজপাৰখিনি যে আমাৰ ৰাজকোঁৱৰৰ—সেই কথাত সন্দেহ নাই; কিন্তু পুত্ৰ-হত্যাৰ প্ৰতিশোধ লোৱাৰ বাবে ঐন্দ্ৰজালিক মাৰদেৰে আমাৰ ৰাজকোঁৱৰক যে হত্যা কৰিলে—তাৰো কোনো প্ৰমাণ নাই। কিয়নো, সকুতেই ৰাজকোঁৱৰক মাৰদেৰে মাৰি পেলোৱাহেঁতেন, তেতিয়াই এই বাকচটো আপোনাৰ ওচৰলৈ পঠিয়াই দিলেহেঁতেন সি। আৰু---এই ল'ৰাটিও কিন্তুদেখাত—আমাৰৰাজকোঁৱৰৰ বয়সৰ।”

মহামন্ত্ৰীয়ে বাকচৰপৰা এখন চিঠি উলিয়াই পঢ়িলে। সেই চিঠিত লিখা আছিল ৰজা, তুমি তোমাৰ নিজ পুত্ৰক হত্যা কৰিলা। এয়া মোৰ পুত্ৰ-হত্যাৰপ্ৰতিশোধ।'

মহামন্ত্ৰীয়ে ৰজাক বাধা নিদিয়াহেঁতেন তেওঁ নিজৰ পুত্ৰক তৰোৱালেৰে মাৰি পেলালেহেঁতেন। এই চিঠিখনে সকলো কথা প্ৰকাশ কৰি দিলে। ৰজাই নিজৰ একমাত্ৰ পুত্ৰক বুকুত আঁকোৱালি ল'লে। তাৰ পাছত—মাৰদেৰক বিচাৰি উলিয়াই, সকলো কথা বুজাই কৈ, মাৰদেৰৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিলে।



কথাৰ চেও

কোনোবা এজন ৰজাৰ আছিল এজন মাথোন জী। এইজনীৰ গুণ আছিল কি—তাই কথা ল'ব পাৰিছিল কথা দি। এনেহেন কন্যাৰ যেতিয়াৰ বিয়াৰ কনিয়া হোৱাৰ বয়স হ'ল, তেতিয়া ৰজাই ঘোষণা কৰিলে, "মোৰ জী-ক যিজনে কথা পিন্ধাৰ পাৰিব, কথাৰে হৰুৱাব পাৰিব, সেইজনৰ সৈতে তাইৰ বিয়া পতা হ'ব, আৰু ৰাজত্বৰো আধা দিয়া হ'ব।"

ঘোষণা শুনিয়েই বিভিন্ন দেশৰপৰা কত যে মানুহ ঢপলিয়াই আহিল ; কিন্তু কোনেও ৰাজকন্যাক কথাৰে হৰুৱাব নোৱাৰি তলমূৰ হৈ উভতি গ'ল।

এখন পৰিয়ালৰ তিনিজন ভাই-ককাই ৰাজকন্যাক কথাৰে হৰুৱাবলৈ ৰাজধানীলৈ গ'ল। গৈ থাকোঁতে বাটত এটা মৰা সৰু জন্তু দেখা পাই সৰু ভায়েকজনে জন্তুটোক বাটৰপৰা বুটলি ল'লে।

আৰু অলপ আগবঢ়াৰ পাছত সৰু ভায়েকজনে পাটৰ ৰছী এগছি বুটলি পাই তাৰ ককায়েকহঁতৰ মানা নুশুনি ৰছীগছিও থৈ দিলে। এইদৰে, সি বাটৰপৰা মাটিৰ চৰুৰ ভগা টুকুৰা, ছুটা শিং, এটা পঘাৰ নিচিনা গজাল, আৰু পুৰণা জোতা এপাটিও বুটলি ল'লে।

ৰাজধানী পাই, তিনিও ভাই-ককাইৰ মাজত প্ৰথমেই ডাঙৰে ৰাজকন্যাক ক'লেগৈ, "ইয়াত বৰ গৰম।"

"ইয়াত যিমান গৰম, তাত তাতকৈ বেছি গৰম।" এই বুলি কৈ ৰাজকন্যাই একুৰা জ্বলি থকা জুইলৈ আঙুলিয়ালে। সেই জুইকুৰাত ছুডাল লোৰ মাৰি জুইহেন

'নৰৱেৰ সাধু"

ৰঙা হোৱা দেখি ভয় খাই একো নুসুধি-নকৈ ডাঙৰজন তাৰপৰা গুচি গ'ল।

তাৰ পাছত গ'ল মাজুজন। সিও দুই-চাৰি কথা কই, আৰু ৰাইকুই নকৰাকৈ তলমূৰটি হৈ সৰু সৰুকৈ খোজ পেলাই পলাই ফাটি আহিল।

আৰু সদৌ শেষত গ'ল সৰু। ডাঙৰ দুজনে ভাবিলে — সৰুটো দেখোন একেবাৰে গৰু, সিনো চুলাৰ চৰুত হাত দিবলৈ গ'ল কেলেই?

সৰুৱে ৰাজকন্যাক নমস্কাৰ কৰি ক'লে যে এই ঘৰটো বৰ গৰম। ৰাজ-কন্যায়ো সেই জুইকুৰালৈ আঙুলিয়াই ক'লে যে তাত আৰু বেছি গৰম।

তেতিয়া সৰুৱে ক'লে, "মই এই মৰা জন্তুটোক সেই জুইত সেঁকি খাম।"

"সেই জুইকুৰাত সেঁকিবলৈ ধৰিলে জন্তুটো ডোখৰ ডোখৰ হৈ পৰিব।"

সৰুৱে ক'লে, "নপৰে। এই গজালটোৰে গাঁথি ল'ম জন্তুটোক।"

ৰাজকন্যাই ক'লে, "কিন্তু জন্তুটোৰ গাত থকা চৰ্বীখিনি গলি পৰিব।"

সৰুৱে টপৰাই ক'লে, "গলিলেও গলি পৰিব নোৱাৰে। এই মাটিৰ চৰুৰ টুকুৰাটোত চৰ্বীখিনি ধৰি ল'ম।"

ৰাজকুঁৱৰীয়ে বিৰক্তিৰে ক'লে, "তুমি মোৰ প্ৰতিটো কথাৰ উত্তৰ বেঁকাকৈ দিছা।"

"বেঁকা মোৰ কথা নহয়, বেঁকা হ'ল এই শিং।" সৰুৱে ক'লে।

"এয়ানো কিহলৈ? মোক পাবলৈ তুমি দেখিছোঁ ভৰিৰপৰা মূৰলৈকে কথাৰ মালা পিন্ধি আহিছা।" ৰাজকন্যাই ক'লে।

সৰুৱে তেতিয়া জোতাপাট উলিয়াই লৈ ক'লে, "ভৰিত কথা নিপিন্ধে, পিন্ধে জোতাহে।"

সৰুৰ এই কথাৰ উত্তৰত একো ক'ব নোৱাৰি সৰুৰ ওচৰত ৰাজকন্যাই বাধ্যত পৰি পৰাজয় মানি ল'লে।

প্ৰেমৰ কাৰণে

জয়িতাই বিজয়ক ভবালে। বিজয়ে ভাবিব নোৱৰা কথা জয়িতাই বিজয়ক ভবালে। জয়িতাৰ কথা শুনি বিয়ৰ ভেলেঙা লাগিল। বিজয়ে ভয়ে ভয়ে ক'লে, "জয়িতা, কথানো কি? ভালকৈ কোৱাচোন শুনো।"

"তেনেহ'লে—শুনা ভালকৈ। ৰাজ-প্ৰাসাদৰ অন্তেষপুৰৰপৰা সুড়ংগৰ মাজেদি পলাই যোৱাৰ বাট নথকা নহয়। মই সেই বাটেদি পলাম। তোমালোকৰ ঘৰটো ঠিক কোনখিনিত, মোক কোৱা ঠিকনাটো লিখি দিয়া! মই ভেশছন লৈ তোমালোকৰ ঘৰলৈ যাম।" জয়িতাই ক'লে।

"তুমি প্ৰাসাদৰপৰা নোহোৱা হ'লে কেনেখন হৈ-হুলস্থুল লাগি পৰিব—ভাবি চাইছানে বাৰু?" বিজয়ে ক'লে।

"তাকে তো ময়ো বিচাৰোঁ। তোমাক যেনেকৈ' কৰিবলৈ কৈছোঁ, তাকে কৰিবা। তুমি নিজেই হৈ-চৈ কৰি ক'বা যে মোক তান্ত্ৰিক এজনে ধৰি লৈ গ'ল। এই কথা শুনি দেউতাই ঘোষণা কৰিব যে—যিজনে মোক উদ্ধাৰ কৰি আনিব সেই-জনক মূল্যৱান পুৰস্কাৰ দিয়াৰ উপৰিও মোক সেইজনৰ সৈতে বিয়া দিব। সকলো ৰজায়েই কৰে, দেউতায়ো এনে ঘোষণা নকৰাকৈ নাথাকে। এই ঘোষণাৰ কিছুদিনৰ পাছত মোক তুমি দেউতাৰ হাতত গটাই দিবা আৰু সেই তান্ত্ৰিকক মাৰি পেলোৱা বুলি ক'বা। তোমাৰ কথা যে সঁচা, মই সেই মিছা সাক্ষী দিম। তাৰ পাছত মোৰ দেউতাই তোমাক মহাবীৰ হিচাপে ঘোষণা কৰি তোমাৰ

লগত মোৰ বিয়াখন পাতি দিব। মই কোৱা মতে যদি কাম কৰা, এই বিয়া হ'বই, নহে নোৱাৰে। তেতিয়া আমি সুখে-সন্তোষে একেলগে থাকিব পাৰিম।" জয়িতাই ক'লে।

২

বিজয় সন্মত হ'বলগা হ'ল জয়িতাৰ প্ৰস্তাৱত। জয়িতা অন্তেষপুৰলৈ গ'ল আৰু সুড়ংগৰ পথ ক'ত আছে বিচাৰি থাকিল।

বিচাৰি বিচাৰি তাই তিনিটা সুড়ংগৰ পথ আৱিষ্কাৰ কৰিলে। এই পথবিলাক মাক-দেউতাকৰ পালেঙৰ তলৰপৰা আৰু তাইৰো পালেঙৰ তলৰপৰা আৰম্ভ হৈছে।

জয়িতাই তাইৰ পালেঙৰ তলত থকা সুড়ংগৰ ভিতৰত নামি, সেই সুড়ংগৰ পথেৰে এখুজি-দুখুজিকৈ গৈ থাকিল।

এইদৰে, কিছু সময় ধৰি খোজ কঢ়াৰ অন্তত তাই সুড়ংগৰ ভিতৰত একো নেদেখা হ'ল। তেতিয়া সুড়ংগৰ ভিতৰত নিমজ অন্ধকাৰ। অন্ধকাৰত খেপিয়াই খেপিয়াই বহু পৰলৈকে খোজ কঢ়াৰ পাছতো আৰু যে কিমান দূৰলৈ যাব লাগিব, সেই কথাৰ উমান ল'ব নোৱাৰি তাই ভীত হৈ পৰিল। তাই ভাবি থাকিল: এই অজান পথৰ ক'ত শেষ হৈছেগৈ? আৰু কিমান? কিমান সময় খোজ কাঢ়িব লাগিব? হঠাৎ এক অজান আতংকেৰে তাই উশাহ বন্ধ হওঁ হওঁ যেন হ'ল। তাই অন্ধকাৰ সুড়ংগৰ ভিতৰত দৌৰিবলৈ ধৰিলে। দৌৰি দৌৰি ক্লান্ত হৈ পৰিল তাই। ক্লান্তিয়ে তাইক অৱশবিবশ কৰি পেলালে আৰু আৰু তাই এই ডাঠ অন্ধকাৰ সুড়ংগ ভিতৰতে টোপনিত লালকাল হৈ পৰিল।

টোপনিৰপৰা সাৰ পোৱাৰ পাছত তাই ভাবি থাকিল: এতিয়া মই কোন পিনে যাম? আগুৱাই যাওঁনে পিছ হুহঁকি যাওঁ? আগুৱালে—কিমান দূৰলৈ আগুৱাব লাগিব? আৰু পিছুৱাই যাওঁ

যদি—কেনেকুৰা সমস্যাই মূৰ দাঙিব?

ইমানপৰে নিশ্চয় মোক বিচাৰি হৈ-চৈ লাগি পৰিছে। আৰু সিপিনে—বিজয়ো মোৰ বাট চাই ৰৈ আছে। —এতিয়া মই কি কৰোঁ?

এইদৰে, সাতে-সোতৰই ভাবি ভাবি ভাবি ভাবি তাইৰ মনত পৰিল তাইৰমাক-দেউতাকৰ কথা। এদিন তাইৰ মাক দেউতাকে সুড়ংগৰ মাজেদি যোৱাৰ কথা আলোচনা কৰি থকোঁতে দেউতাকে কৈছিল সুড়ংগ পথেদি যাবলৈ হ'লে দুদিনৰ খোৰাবস্তু লগত লৈ যাব লাগিব; কিয়নো, সুড়ংগৰপৰা ওলাওঁতে দুদিন লাগিব। কিন্তু তাই সুড়ংগ-পথেদি আহোঁতে এইবোৰ কথা একেবাৰে মনত পৰা নাছিল। এনে ধৰণৰ কোনো প্ৰশ্ন তাইৰ মনত পৰা নাছিল তেতিয়া। এতিয়া সুড়ংগৰ মাজেদি দুদিন দুনিশা খোজ কঢ়াৰ কথা ভাবি আচ্ছন্ন হৈ পৰিল। কিন্তু পাছমুহূৰ্ততে তাই ভাবিলেঃ প্ৰেমৰ কাৰণে প্ৰয়োজন হ'লে প্ৰাণো বিসৰ্জিব লাগিব।

এই কথা ভাবি তাই বুকুত অলপ বল-শক্তি পোৱা হ'ল। তাই দৃঢ় খোজেৰে আগবাঢ়ি গৈ থাকিল সেই নিমজ্জ ক'লীয়া অন্ধকাৰৰ মাজেদি। গৈ গৈ গৈ গৈ—তাই এজোপা বিৰাট গছৰ শিপা দেখা পাই তাত ৰৈ দিলে। গছৰ শিপাৰ ওচৰত আছিল বিৰাট গাঁত এটা। সেই গাঁতৰ মাজেদি অতি ক্ষীণকৈ হ'লেও পোহৰ অলপ দেখা গৈছিল। হঠাৎ তাই সেই গাঁতৰ ভিতৰত খটখটি দেখা পালে আৰু সেই খটখটিয়েদি অলপমান আগুৱায়েই তাই দেখা পালে মুক্ত আকাশ!

জয়িতাই এক পুনৰ জনম ঘূৰাই পোৱা যেন পালে। তাই মুক্ত বায়ুত ওলাই আহিল আৰু লগে লগে বহু মানুহৰ কণ্ঠস্বৰ শুনি তাই ঘূৰি চালে। কিছুমান মানুহে চিঞৰি চিঞৰি কৈ আছিলঃ

"সৌৰা—সৌৰা দেৱীয়ে আমাক দেখা দিলে ! দেৱীয়ে দেখা দিলেহি আমাক !" মানুহবিলাকে বাৰে বাৰে উচ্চকণ্ঠেৰে এইবোৰ কথা কৈ আছিল।

জয়িতাই এই কথাৰ অৰ্থ ঠাৰৰ কৰিব নোৱাৰিলে। তাই বিহ্বল-বিভ্ৰান্ত হৈ-চৈ শুনি হঠাৎ মুৰ্ছিতা হৈ বাগৰি পৰিল।

তাই যেতিয়া চেতনা ঘূৰাই পালে, তেতিয়া বুজি পালে যে তাই এতিয়া এখন গাঁৱত আছে, আৰু এইখন গাঁৱৰ নাম অজলাগাঁও।

গাঁওখনৰ ন্যম অজলাগাঁও হোৱাৰ গুৰিত অলপ কাৰণো আছিল। এইখন গাঁৱৰ প্ৰায় আটাইবোৰেই একো নজনা অন্ধবিশ্বাসী। এই গাঁৱৰ দুটা মানুহ আছিল জুতি-বুধি জনা সিয়ান। বাদ-বাকীৰ গিয়ান বোলা বস্তু নাছিলেই। এই দুটা সিয়ানৰ অনুমতি বিনে গাঁৱৰ বাইজে একো নকৰে। এই বিষয়ে দুটামান ঘটনাৰ কথা ক'লেই পাঠক ৰাইজে গাঁওখনৰ নামৰ যথাৰ্থতা বুজি পোৱা হ'ব।

এবাৰ এই গাঁৱৰ নৰোত্তমৰ ঘৰত কেনেবাকৈ জুই লাগিল। ঘৰখনৰ সকলোটিয়েই ঘৰৰপৰা ওলাই আহি বাটত থিয় হ'ল; কিন্তু পানীৰে জুই নুমোৱাৰ চেষ্টা কোনেও নকৰিলে। কিয়নো, গাঁৱৰ গিয়ানী দুজনৰ বা এজনৰ

দিহা বিনে কিবা কৰিলে যদি দোষে-পাপে ছুৱে? গতিকে সিহঁতে সদায় এই গাঁওখনত জুই জ্বাল পানী ঢাল কৰি থাকিলে কি হ'ব—ঘৰত লগা জুইৰ লা-লক্ষণ বিচাৰ নকৰোৱাকৈ পানী নাঢালি গ'ল গাঁৱৰ সেই গিয়ানী দুজনৰ ওচৰলৈ দিহা বিচাৰি। সিহঁত দুয়োটায়েই তেতিয়ো টোপনিত লাল-কাল। নৰোত্তমে সিহঁত সাৰ পোৱালৈকে তাত বৈ থাকিল। তাৰ পাছত সিহঁত জাগিল, হাত-মুখ ধুলে, সৰু পানী ছুলে, আৰু তাৰ পাছতহে পাঁজি-পুথি চাই নৰোত্তমক তাৰ ঘৰত লগা জুইত পানী ঢালি নুমাবলৈ দিহা-পোহা দিলে, লগতে শান্তি-স্বস্ত্যয়নৰো দিহা-পোহা দিয়া হ'ল। আৰু তিমানতে নৰোত্তমৰ ঘৰটো উত্তমৰূপে পুৰি ভস্ম হ'ল।

ঘৰটো পুৰি ছাই হোৱাত সেইধূৰ্ত সৰবজ্ঞান দুটাই ঘোষণা কৰিলে যে—নৰোত্তমক বিৰাট পাপে ছুইছিল, আৰু সেয়েহে তাৰ ঘৰ পুৰি ছাই হ'ল। এই কথা কোৱাত নৰোত্তমে সিহঁত দুটাক দীঘল দি পৰি প্ৰণাম কৰিলে।

আন এটা ঘটনাত হৰনাথ হালোৱাৰ ল'ৰাটো টান বেমাৰত পৰিল। গাঁৱত কাৰোবাৰ বেমাৰ-আজাৰ হ'লে গাঁৱৰ ৰাইজে এই সিয়ান গিয়ানৰ ভঁৰাল দুটাৰ কাষ চাপিছিল আৰু সিহঁতে জানক-নাজানক পাৰক-নোৱাৰক ইটো-সিটো

দৰব-পাতি দিছিল। দৰবৰ নামত এই দুষ্ট দুটাই দিয়া দগৰ চুৱাবোৰ বহুতেই দৌলা-কেঁকোৰা দিছিল; কিছুমান যমৰ আলহী হৈছিল; কিন্তু তথাপি গাঁৱৰ অন্ধবিশ্বাসী ৰাইজে এই এন্দুৰ দুটাক সদায় সেন্দুৰ পিন্ধাইছিল। ইহঁতৰ জোলোঙা কোবোৰা দৰব খাই হৰনাথ হালোৱাৰ পুতেকো পোন-খুন্দাই নৰক পাইছিলগৈ।

হৰনাথ যেতিয়া পুত্ৰশোকত হায়ঔ বিঔকৈ কান্দি কান্দি সিহঁতৰ ভৰিত পৰিছিলগৈ, তেতিয়া সিহঁতে হৰনাথক কৈছিল, "তুমি ঢেৰ পাপ কৰিলা। পাপৰ ফলত তোমাৰ ল'ৰাটো মৰিল। জগতখনৰ কোনো বেজেই তাক ভাল কৰি তুলিব নোৱাৰিলেহেঁতেন। যি কি নহওক, তুমি মিছামিছিকৈ নাকান্দিলেও হ'ব, কিয়নো, আমাৰ দৰব খাই তোমাৰ ল'ৰাটো একেচিপে স্বৰ্গ পালেগৈ। আন কোনোবা বেজৰ দৰব খাই মৰাহেঁতেন সি পোনখুন্দাই নৰক পালেগৈহেঁতেন। কিন্তু আমাৰ দৰব খাই মৰাতহে তাৰ স্বৰ্গপ্ৰাপ্তি ঘটিল। বুক ফাটিলেও দুখ নকৰি আনন্দ কৰিবা, কিয়নো, তোমাৰ ল'ৰাটো বিনা পৰিশ্ৰমেই স্বৰ্গ পালেগৈ। আৰু মৰাৰ কাৰণে শোক কৰিব নাপায়—শাস্ত্ৰত আছে—'জন্মিলে মৰিব লাগে, অমৰ নোহে তো ভবে'—জানিছাই নহয়? মৰি-হজি অধিকভাগেই নৰকস্থ হয়। তোমাৰ ল'ৰাটো যে স্বৰ্গস্থ হ'ল তাৰ কাৰণে বৰঞ্চ আনন্দ কৰাগৈ আৰু পাপ গুচাবলৈ শান্তি-স্বস্ত্যয়নৰ বন্দৰস্তত ধৰাগৈ যোৱা। চিন্তা-টিন্তা নকৰি এইবোৰ কৰা।"

তেতিয়া হৰনাথে হালে-ৰাঙে সকলোতে কৈ ফুৰিবলৈ ধৰিলে, "মোৰ ল'ৰাটো মৰিল কি হ'ল—সি পোন-খুন্দাই স্বৰ্গলৈ গ'ল। নকৰোঁ হিয়া ঢাকুৰি দুখ, স্বৰ্গত তাৰ যে কিমান সুখ!" [অহা সংখ্যাত

বাদুলি
বাদুলি
বাদুলি
টেক্সাছৰ ছান্ আণ্টনিঅ' ব্ৰাকন গুহাত পৃথিৱীৰ ভিতৰত আটাইতকৈ অধিক জন্তু-জানোৱাৰ আছে। ইয়াত জহকালি আনুমানিক ২০ মিলিয়ন বাদুলি দেখিবলৈ পোৱা যায়।

দ্ৰুতগামী মাছ
মাৰ্লিন মাছ হ'ল মাছৰ মাজত আটাইতকৈ দ্ৰুতগামী মাছ। এই মাছ ঘণ্টাইপ্ৰতি ৪০—৫০ মাইললৈকে যাব পাৰে।


বৰফৰ গুহা
অষ্ট্ৰিয়াৰ আইছট্ৰিশ্যেন্ বেল্টত পৃথিৱীৰ আটাইতকৈ ডাঙৰ আৰু সদা-সৰ্বক্ষণ বৰফেৰে ঢাক খাই থকা গুহা আছে। এই বৰফাবৃত গুহা দীঘলে ২৬ মাইল। এই গুহাৰ প্ৰবেশদ্বাৰৰ উচ্চতা ৩৩০০ ফুট। এই সুদীৰ্ঘ গুহাটো গ্ৰীষ্মকালতো একেদৰেই বৰফাবৃত থাকে।

চান্দমামা

চিত্তাকৰ্ষক আৰু জ্ঞানবৰ্ধক উৎকৃষ্ট মাহেকীয়া

* চান্দমামাই পুৰাণ আৰু সাহিত্যৰ শ্ৰেষ্ঠ ৰচনাসমূহক সুষ্ঠুভাৱে প্ৰকাশ কৰে।
* চান্দমামাই উদাৰ দৃষ্টিভংগীৰে আৰু সহজতম ভাষাৰে বিশ্ব-সাহিত্য পৰিবেশনা কৰে।
* চান্দামামাই সহজ-সৰল-নিৰ্মল বৰ্ণনাৰ যোগেদি পাঠক-পাঠিকাৰ আনন্দবৰ্ধন কৰাৰ লগে লগে জ্ঞানৰ সমলো যোগায় আৰু তাৰ ফলত পাঠক-পঠিকাৰ উৎসাহো বৃদ্ধি পায়।
* চান্দমামাই পুৰাণ-গাথাসমূহৰ সৈতে প্ৰামাণ্যভাৱে পাঠকক চিনকি কৰাই দিয়ে।
* শিশু তথা চেমনীয়াসকলৰ বাবে প্ৰকাশিত চান্দমামাই সিহঁতৰ প্ৰাণত আনন্দ তথা উদ্দীপনা কঢ়িয়াই আনে।
* চান্দমামা কেৱল আপোনাৰ নহয়, আপোনাৰ আত্মীয়-স্বজন, বন্ধু-বান্ধৱসকলৰো এক অপৰিহাৰ্য্য পাঠ-মাধ্যম। চান্দমামা নিজে পঢ়ক, আনলৈকো উপহাৰ দিয়ক।

তেৰটা ভাষাত চান্দমামা প্ৰাকাশিত হয়। আপুনি নিম্নলিখিত যিকোনো ভাষাৰ চান্দমামাৰ গ্ৰাহক হ'ব পাৰে:

তেলুগু, তামিল, হিন্দি, ইংৰাজী, অসমীয়া, গুজৰাটী, কন্নড়, মালয়ালম, মৰাঠী, ওড়িয়া, বাংলা, পঞ্জাবী আৰু সংস্কৃত ভাষাত চান্দমামা প্ৰকাশিত হয়।

চান্দমামাৰ বছৰেকীয়া বৰঙণি ৩০'০০ টকা মাথোন।

আপুনি কোন ভাষাৰ চান্দমামা ল'ব—তাৰ উল্লেখ কৰি, তলৰ ঠিকনালৈ টকা পঠাওক:

ডল্টন এজেন্সিজ

চান্দমামা বিল্ডিংছ, ভাদাপালানি, মাদ্ৰাজ-৬০০ ০২৬

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৭ চনৰ জুন সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৭ চনৰ এপ্ৰিল মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ-নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।

ফটো-নামকৰণ কেৱল পষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৬ চনৰ ফেব্ৰুৱাৰি মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : **ফলৰ বেহা** দ্বিতীয় ফটো : **ৰঙৰ বেহা**

পুৰস্কাৰ প্ৰাপক : প্ৰণীতা গোস্বামী, পাটাছাৰকুছি, বৰপেটা।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চান্দমামা

ভাৰতত বছৰেকীয়া বৰঙণি ৩০'০০ টকা মাথোন

তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600 026

নাইবা

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

'মেৰি'—২২ কেৰাটৰ সোণ-খতোৱা অলংকাৰৰ জগতত এক বিশ্বস্ত আৰু বিখ্যাত নাম। গুণত অনুপম! সৌন্দৰ্য্যত অপৰূপ!! গেৰান্টিযুক্ত, প্ৰত্যেকৰ ৰুচিসম্মত অতুলনীয় অলংকাৰ!

অৰ্ডাৰ পঠাওঁতে অলংকাৰৰ নম্বৰ উল্লেখ কৰিব। ডাক-মাচুল (ভি. পি.) অতিৰিক্ত। বিনামূলীয়া কেটালগৰ বাবে লিখি পঠাওক।



MERI GOLD COVERING WORKS

P.O. BOX: 1405, 14, RANGANATHAN STREET,
T. NAGAR, MADRAS-600 017, INDIA.

Goodness of nature's Honey in......
nutrine
Honeyfab
nutrine
Honeyfab
Delicious
naturally!
nutrine
India's largest selling sweets
Nutrine Confectionery Company Private Limited, Chittoor, A.P.
CLARION/NC/8572

ৰাম আৰু শ্যাম
জংঘলত আদিবাসীৰ কবলত
PARLE
ৰামৰ মোমায়েক আৰু মামীয়েক এটা ধুনীয়া দ্বীপত থাকে, ৰাম আৰু শ্যামক বন্ধত তাত থাকিবলৈ মাতিলে।
কৌতুহল বসত তেওঁলোকে দ্বীপটোলৈ যাত্রা কৰিলে, হাতত তেওঁলোকৰ ভাললগা পপিন্স।
হঠাৎ...
কাড় ?
কিন্তু কিয় ?
ZIP!
ZIP!
এই আদিবাসীসকলে নিশ্চয় আমালৈ ভয় কৰিছে।
আমি তেওঁলোকৰ লগত বন্ধু পাতিবৰ বাবে পপিন্সৰ পেকেট গাঠি কাড়ৰ সেতে মাৰিম।
জেভলিনৰ দৰে শ্যামে গছত লাগি থকা কাড় বোৰত পপিন্স লগাই মাৰিল।
লুকাই থকা আদিবাসী সকল লাহে লাহে ওলাই আহিল আৰু পপিন্স বোৰ বুটলিলে। তেওঁলোকে চুপিলে আৰু ভাল পালে।
বাহ !
বাহ !
POPPINS
আনন্দৰে তেওঁলোক আহি বন্ধুত্বৰে ৰাম আৰু শ্যামক সাৱতি ধৰিলে।
আমাৰ মৰমৰ বন্ধু
ৰাম আৰু শ্যামৰ হাতত যেতিয়া পপিন্স থাকিব তেতিয়া তেওঁলোকৰ বন্ধুৰ অভাৱ নহব।
পার্লে
পপিন্স
ৰসাল·সোৱাদ·জুতিলগা
everest/86/PP/411-as